(f) Whether Government propose to consider their cases sympathetically ?

Shri Biswadev Sarma (Minister ef Revenue) replied :

(a)—Four hundred and fifty two employees were at first absorbed in the Acquired Estates Establishment under the supervision of the Deputy Commissioner. When the

regular Revenue Administration was introduced in the District with effect from 1st July 1963, 248 employees out of the above were absorbed in the regular establishments of the Circle and Tahsil Offices.

(b)—Two hundred and forty seven, *i. e.*, two hundred and four employees superannuated on the date of change over to regular system of Revenue Administration and another 43 after the change over.

(c)—Gratuity benefit had been granted in respect of 204 employees only who were discharged or retired voluntarily with effect from 1st July 1963.

(d)—The matter is still under active consideiation of Government.

(e) and (f)-Considering their difficulties the question of granting Pension/Gratuity benefits in respect of 43 retired employees along with others is under active cosideration of Government.

Re : **Road from Kahitama to Mathanguri**

Shrimati Pranita Talukdar asked :

46, Will the Minister, Forests be pleased to state :

(a) When a forest road from Kahitama to Mathanguri will be constructed ?

(b) What steps have been taken by Government for its construction ?

Shri Ranendra Basumatari (Minister Forests) replied :

(a)—No such project is considered necessary by the Forest Department.

(b)—Does not arise.

Re : **Small Scale Industries**

Shri Premadhor Bora asked :

47. Will the Minister, Industries be pleased to state :

(a)—How many small scale industries have been registered in North Lakhimpur subdivision till now ?

(b) If so. how many of these belong to the local youth ?

(c) Whether necessary raw materials have been provided to those industries such as paraffin-wax and mutton tallow, etc. ?

Shri Biswadev Sarma (Minister, Industries) replied :

(a)—Nineteen.

(b)—It is not very clear as to what the Hon'ble Member means by "Local Youth". However a list of these industries and their respective proprietors is placed on the table of the House.

(c)—Paraffin-wax and mutton tallow have been supplied, depending upon their availability.

Re : **Elementary Schools**

Shri Promode Chandra Gogoi asked :

48. Will the Minister, Education be pleased to state that how many Elementary Schools have been taken over by the Board within Sibsagar Subdivision since 1967 ? (The names of the schools may be given.)

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

48—Sixty-eight Venture L. P. Schools of Sibsagar Subdivision have been taken over during the period from 1967 to 1970. The names of such schools may be found in the list placed on the table of the House.

Re : **Non-recurring grants to Pre-Basic Schools**

Shri Narendra Nath Sarma asked :

49. Will the Minister, Education be pleased to state :

(a) Whether Education Department allotted any non-recurring and recurring grant to some pre-Basic and Montessori Schools of Assam ?

(b) How many Schools of Assam received such grant in the year 1969-70-71 ? ( The names of the schools may be given. )

(c) Whether Government is aware that there is a Montessori School at Golaghat in the name of great patriot Kusel Kuwar ?

(d) If so, whether Government allotted any substantial non-recurring or recurring grant to that school?

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

(a)—Yes.

(b)—A list of the Schools is placed on the table the House.

(c)—Yes.

(d)—No.

## Report of the Business Advisory Committee

Mr. Speaker : "I called a meeting of the Business Advisory Committee this morning to make certain changes in the remaining programme of the present session. The decision arrived at are as follows :

1. There will be recess from 7th to 16th May. The House will re-assemble on 17th May, on which date the voting on demands will be taken up. The rest of the programme will remain as fixed earlier.

2. The House will be extended upto 25th May to accommodate the unfinished Government business.

I hope this has the approval of the House.

(Voices : Yes)

শ্ৰীহীৰালাল পাটোৱাৰী—এটা কথা জানিব বিচাৰিছো যে Buniness কমিটি বাছি কৃষিমন্ত্ৰীৰ সম্পৰ্কে মোচনটো স্থগিত আছে। এই মোচনটো Agenda ত আছেনে নাই ?

মিঃ স্পীকাৰ—সেইটো Private members Business ত আহিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—কালি মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলৰ প্ৰতিনিধীসকলে কৰা দাবীৰ সম্পৰ্কত এটা বিবৃত্তি সাজি দিয়াৰ কথা আছিল।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সেইটো আবেলি দিয়া হব।

## Voting on Demands for Grants
## Demand No. 24, 25, 28, 44, 45, 47, 72 and 94

Speech not corrected.

শ্ৰীমহীধৰ পেগু : অধ্যক্ষ মহোদয় শিক্ষাৰ সাধাৰণ শিতানত যি কৰ্ত্তন প্ৰস্তাব আলোচনা কৰা হৈছে সেই প্ৰসঙ্গত মই কেইটামান কথা চমুকৈ আলোচনা

কৰিব খুজিছো। মাত্ৰ কেইটামান কথাৰ ওপৰতে মোৰ আলোচনা সীমাবদ্ধ থাকিব।

প্ৰথম কথা হল আমাৰ দেশৰ শিক্ষা নীতিৰ আমোল পৰিবৰ্ত্তনৰ বিষয়ে স্বাধীনতাৰ কালৰ পৰাই আলোচনা কৰি অহা হৈছে। অকল প্ৰাইমাৰীৰ শিক্ষাই নহয়; প্ৰাইমাৰীৰ পৰা আৰম্ভ কৰি স্নাতকোত্তৰ মহলালৈকে যদিও শিক্ষা নীতি পৰিবৰ্ত্তনৰ কথা আলোচনা কৰি অহা হৈছে তথাপি আজিলৈকে কোনো পৰিৱৰ্ত্তন হোৱা নাই। আৰু যি কম পৰিমাণে হলেও শিক্ষা নীতিৰ পৰিবৰ্তন হব লাগিছিল আমোল পৰিবৰ্তনৰ কথা দূৰতেই থাকক সেই খিনিও হোৱা নাই। উদাহৰণ স্বৰূপে ধৰিব পাৰি যে M.V. আৰু M.E. স্কুল একে পৰ্য্যায়তে থাকিব লাগে বুলি ২য় পৰিকল্পনাতে চৰকাৰে ঘোষণা কৰিছিল। কিন্তু M.E ই নহৈ M.V. যে হব লাগে সেইটোও হৈ নুঠিল। এই সম্পৰ্কত হয়তো চৰকাৰে বহুতো কাৰণ দেখুৱাব পাৰে প্ৰাথমিক স্কুলৰ শিক্ষকৰ কাৰণে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকক সুবিধা দিয়া হব বুলি কৈছিল তাৰ পাচত আকৌ এবছৰ মানৰ পাচতে নতুনকৈ কলে যে মেট্ৰিক পাচ কৰাকহে দিব লাগে; তাৰ পাচত আকৌ কলে যে P.U. পাচকহে দিয়া হব। গতিকে ইমান সঘনাই শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ নীতি পৰিবৰ্তন হৈ থাকিলে প্ৰাথমিক স্তৰত শিক্ষকসকলৰ অৱস্থা কি হব।

তাৰ পাচত এটা কথা চৰকাৰে কৈ আহিছে যে তৃতীয় পৰিকল্পনাৰ আৰু ৪ৰ্থ পৰিকল্পনাৰ কাল চোৱাত বাঢ়ি অহা শিক্ষানুষ্ঠান বিলাক দেখি চৰকাৰ আতঙ্কিত হৈছে। সেইকাৰণে নিকৎসাহ কৰিবলৈ চেষ্টা কৰিছে কিন্তু এটা কথা চৰকাৰে বিচাৰ কৰি চালে উচিত হব যে এই ধৰণেৰে শিক্ষানুষ্ঠানবিলাক বাঢ়ি অহাৰ কাৰণ কি? চৰকাৰে দ্বিতীয় পৰিকল্পনাত এনে ঘোষণা কৰিছিল যে ৪ৰ্থ পৰিকল্পনাৰ সময়ত কোনো এখন গাৱঁৰ পৰা এমাইলৰ আঁতৰত P.W.D. ৰ ৰাস্তা নোহোৱাকৈ নাথাকে। কিন্তু দুখৰ বিষয় সেইটোতো নহলেই আৰু ৪ৰ্থ পৰিকল্পনাৰ কথাই নাই দ্বিতীয় পৰিকল্পনাত প্ৰস্তাবিত ৰাস্তাবোৰেই সম্পূৰ্ণ নহল। ইয়াৰ উপৰিও প্ৰাকৃতিক দুৰ্যোগ বানপানী আৰু গৰাখহনীয়াই ছিন্ন ভিন্ন কৰা অঞ্চল বিলাকৰ শিক্ষানুষ্ঠান বিলাক বাইজে কৰিব লগীয়া হৈছে। তাৰ উপৰি যাতায়তৰ অসুবিধা থকা ভিতৰুৱা অঞ্চল বিলাকৰ এই অনুষ্ঠান বিলাক চৰকাৰে কৰিব পৰা নাই। যিবিলাক অঞ্চল নগৰৰ আশে পাশে আছে আৰু বানপানী বা গৰাখহনীয়া বা যাতায়তৰ অসুবিধাৰ পৰা বহুত নিলগত সেইবিলাক অঞ্চলত যিবিলাক শিক্ষানুষ্ঠান আগৰে পৰাই আছে তাৰহে লৰা ছোৱালীয়ে পঢ়িবলৈ সুবিধা পাইছে কিন্তু আওহতীয়া অঞ্চলৰ যত বানপানী গৰাখহনীয়া বা যাতায়তৰ অসুবিধা তাত লৰা ছোৱালীয়ে পঢ়িবলৈ সুবিধা পোৱা নাই। গতিকে চৰকাৰে প্ৰাইমাৰী স্কুলৰ সংখ্যাধিক্যক ভয় কৰিলে নহব এবাৰ যিবিলাক স্কুলক স্বীকৃতি দিয়া হৈ গৈছে সেইবিলাক স্কুলক নিকৎসাহ কৰিব নোৱাৰে। এই কথা চৰকাৰে মনত ৰাখিব লাগিব। লাগিলে "বামুনেই মৰক বা লগুণেই চিগক"।

(স্বৰঃ—কি কলে,—কি কলে) (হৰ্ষধ্বনি)

এইবিলাক হল Aided Board ৰ অধীনৰ স্কুলৰ কথা কিন্তু আচৰিত কথা যি

বিলাক চৰকাৰী প্ৰাইমাৰী স্কুল জোনাই বা মোৰ্কংচেলেক অঞ্চলত আছে সেই বিলাকৰ ঘৰ নাই। গছৰ তলত বা বাহঁৰ তলত লৰাই পঢ়িব লাগে। সেইদৰে বহুতো ঠাই আছে যত স্কুল ঘৰ নাই। গতিকে এয়ে হৈছে আমাৰ প্ৰাথমিক স্কুল সমূহৰ অৱস্থা, যি প্ৰাথমিক স্কুলেই হৈছে শিক্ষাৰ প্ৰথম সোপান। এই স্কুলবিলাক এনেকৈ পাতিব লগা অৱস্থাটো দুৰ্ভাগ্যৰ কথা। এটা আত্মঘাতী শিক্ষা পদ্ধতিৰ কথা। গতিকে এই প্ৰসঙ্গত মই কওঁ যে—ঘৰ-দুৱাৰৰ অৱস্থা সেইমতেই আছে আৰু বুনিয়াদী প্ৰশিক্ষণো ঘনাই ঘনাই দিয়া হয়।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী: মাননীয় সদস্যই বোধকৰো পাহৰিয়েই কৈছে যে শান্তি নিকেতনত গছৰ তলতে Class বিলাক হয়।

শ্ৰীমহীধৰ পেগু: তাত বৰষুণ কম। আনকি বহুদিন হলেও মলমৰ দৰে তাত চাউল সোনকালে মলডি নেযায়।

তাত বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ দি থকা হয় কিন্তু স্কুলত থাকিব লগা আচ-বাবখিনিও তাত নাই। চকি মেজ, বৰ্ড আদি শিক্ষাৰ আৱশ্যকীয় আহিলা পাতি খিনিও নাই। গতিকে তেনেকৈ এই বুনিয়াদী শিক্ষাৰ পৰিকল্পনাবোৰ কিয় কৰিছে? ককাল চাই মেখেলা হব লাগে। তাৰ পিছত সাহায্যপ্ৰাপ্ত মজলীয়া স্কুল আদিৰ ক্ষেত্ৰত যিবিলাক Recurring grant আৰু কিছুমানৰ কাৰণে যি Non-recurring grant ৰ ব্যৱস্থা কৰিছে সিও একেবাৰেই নগন্য আৰু ই বৰ দীৰ্ঘসূত্ৰী ব্যৱস্থা। ঘাতি মঞ্জুৰী পাই যদিও শিক্ষকসকলে arrear pay নেপায়। তাৰ পিছত এককালীন গ্ৰান্টৰ বেলিকা প্ৰায় ১৫ ভাগৰ ১ ভাগো হয়নে নহয় সন্দেহ। য'ত আছিল ৩০ খন তাত দিয়া হ'ল মাত্ৰ ২০ খনকহে বাকী কেইখন স্কুলক কি কৰিব? প্ৰত্যেক সমষ্টিৰ কথাই মই কৈছো। যদি কেৱল ৰাজনৈতিক ভিত্তিতেই বা সমষ্টিৰ ভিত্তিতেই যদি কৰে তেন্তে এই স্কুল বিলাকৰ অৱস্থা কি হব পাৰে?

আজি ৰাষ্টাৰ ওপৰত চাওক শিলংটি এটিও দেখা নাযায়। তাতো সেই একেই অৱস্থা। কতো আজি সুবিচাৰ হোৱা নাই।

(সময়ৰ সংকেত)

এইবিলক কথাত চৰকাৰৰ কোনো মনোযোগ নাই। ১৯৬৪ চনতে দৰ্মহা আয়োগে চৰকাৰক কিছুমান পৰামৰ্শ আগবঢ়াইছিল। সেইমতে চৰকাৰী শিক্ষকক সমপৰ্য্যায়ৰ কৰি যি সা-সুবিধা দিবৰ কাৰণে চৰকাৰক পৰামৰ্শ দিছিল সেইমতে চৰকাৰে একো নকৰিলে। সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষকক ২০ টকাকৈ allowance দিয়াৰ যি ব্যৱস্থাৰ কথা কৈছিল তাকো কাৰ্য্যকৰী কৰা নহল।

তাৰ পিছত স্নাতকোত্তৰ প্ৰশিক্ষণ সম্পৰ্কত কওঁ যে B.T. training ৰ যিটো দহমহীয়া Course সেইটো অন্ততঃ দেৰবছৰীয়া হব লাগে। দেখা গৈছে সেইকাৰণেই অৰ্থাৎ দেৰবছৰীয়া Course এটা ১০ মহীয়া কৰাৰ কাৰণেই বছৰি বছৰি বহুতো ডেকা-গাভৰুয়ে ফেইল কৰিব লাগিছে। তথাপিও এইটো বিবেচনা কৰা ব্যৱস্থা কৰা নাই। তাৰোপৰি এই পৰীক্ষাত কৃতকাৰ্য্য হোৱা ডেকা-গাভৰু বিলাকৰো নিযুক্তিৰ কোনো ব্যৱস্থা নাই। অথচ আমাৰ নানান B.T. training Centre খুলি ডেকালৰা আৰু গাভৰু ছোৱালীক training

দি থকা হৈছে। যদি তেওঁলোকক নিযুক্তিয়েই দিব নোৱাৰে তেন্তে তেওঁলোকক training দি হাইৰাণ কৰাৰ কোনো দৰ্কাৰ নাই। তাৰ পিছত পাঠ্যপুথিৰ সম্পৰ্কত কওঁ। মই অৱশ্যে শিক্ষানীতিৰ সম্পৰ্কত আলোচনা কৰিব নোখোজো। এইটো সময়ো নহয় আৰু মোৰ হয়তো সামৰ্থ্যও নাই। পাঠ্যপুথি বিলাক অনুগৃহীত ভিত্তিতহে হৈছে। বুনিয়াদী শিক্ষাৰ পাঠ্যপুথিৰ ভূগোলৰ টোকাত পাব যে সোৱণশিৰিৰ পৰা বদতি ঘাটলৈ জাহাজ চলে। কুহিপাততো যদি কোনোবাই জানে তেন্তে একেই অৱস্থা। এই বিষয়ে বিজ্ঞলোক সকলে অলপ কানসাৰ দিলে কিছু সুবিধা হয়। বেছি আৰু মই নকও মাত্ৰ এইখিনিকে কৈ মই বহিলো।

ডা. সুৰেন্দ্ৰ নাথ দাস : অধ্যক্ষ মহোদয়, শিক্ষাবিভাগৰ ওপৰত আন কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই তুআষাৰমান কৈ কেইটামান পৰামৰ্শ আগবঢ়াব খোজো। কাৰণ দেশখন ভালকৈ চলিবলৈ হলে এটা জাতিৰ মেৰুদণ্ড এই শিক্ষা বিভাগৰ প্ৰশাসনটো নিকা হব লাগে।

জয় জয়তে আমাৰ সন্দেহ হয় যে এই শিক্ষা বিভাগটো কোনে চলাইছে? আমাৰ শিক্ষা-বিভাগৰ কাৰণে তুজন মন্ত্ৰী আছে। অৱশ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ—High School আৰু L. P. School সম্পৰ্কত যোৱা নাই। কিন্তু বাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী শ্ৰীগোস্বামী ডাঙৰীয়াৰ ওচৰলৈ গৈছো। তেখেতে কিন্তু কেনেকৈ কি হব কি পদ্ধতিৰে grant বিতৰণ কৰা হব ভালকৈ একো কব নোৱাৰে। D. P. I. ক সুধিলে কয় যে—মন্ত্ৰী সকলেহে জানে। A. D. I. ক সুধিলেও একেই কয় Jt. D. P. I. ক সুধিলে কয় যে,—M. L. A. minister সকলেহে স্কুল চলাইছে। তেওঁলোকে কি কৰে কৰিব। যদি সেয়ে হয় তেন্তে এই স্কুলবিলাক উঠাই দিয়াই বাঞ্চনীয়। স্কুল-কলেজৰ কাৰণে কি কৰিব লাগে তাকে তেওঁলোকে বুজি নেপায়।

সাধাৰণতে স্কুল-কলেজ বিলাকৰ Managing Committee আৰু General Committee আছে। এই কমিটি বিলাকত বিভাগীয় কৰ্তৃপক্ষৰ সম্বন্ধে নানান আলোচনা হয়। সেইবিলাক আলোচনাৰ কথা বৰ লাজৰ কথা আৰু আমিও লাজ পাওঁ।

গতিকে মই কেইটামান পৰামৰ্শ আগবঢ়াওঁ। প্ৰথমতে, প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত যিটো State Board ৰ প্ৰস্তাৱ পাছ কৰিছে—আমাৰ যিবিলাক স্কুলত ৪০ জন ছাত্ৰ আছে—তাত এজন শিক্ষক দিব লাগে আৰু ৪০ জনতকৈ বেছি ছাত্ৰ থকা বিলাকত তুজন শিক্ষক দিব লাগে। কিন্তু দেখা গৈছে যে য'ত ৪০ জন ছাত্ৰ আছে তাত এজন শিক্ষক আছে কিন্তু য'ত ১০০ জনতকৈও বেছি ছাত্ৰ আছে তাত হয়তো তুজন শিক্ষকহে আছে। গতিকে এই বিষয়টো ভালদৰে চালি-জাৰি চাই—তাৰ ব্যৱস্থা লব লাগে। লগতে কম ছাত্ৰ থকা স্কুলবিলাকত যদি ওচৰতে থাকে তেন্তে লগ লগাই ওপৰোক্ত নিয়মমতে শিক্ষক নিয়োগৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিছত আমাৰ L. P. School বা High School বিলাকত প্ৰায়েই

mother teacher থকা দেখা যায়। সাধাৰণতে প্ৰধান শিক্ষকৰ ঘৈণীয়েকবোৰেই mother teachers হয়। গতিকে কোনোদিনা তেওঁলোকে স্কুললৈ যায় আৰু কোনোদিনা মন নগলেই নেযায়। এইদৰে কিয় চৰকাৰৰ টকা খৰছ কৰি আছে? যদি mother teacher দিয়ে তেতিয়াহলে ভালকৈ কাম কৰিব লাগে আৰু তাকে কৰিব নোৱাৰিলে উঠাই দিব লাগে। তেতিয়া হয়তো বহুত টকা ৰাহি হৈ যাব। Head master ৰ ঘৈণীয়েকেই mother teacher হৈ স্কুললৈ নেযায়।

হাইস্কুলৰ Ad-hoc-grant কি পদ্ধতিত দিছে কব নোৱাৰো। যিবিলাক স্কুল Class VIII লৈ Recognise কৰিছে আৰু যদি তাত কম ল'ৰা আছে তেন্তে তাত কম টকা পাইছে। গতিকে Class VIII লৈ কিমান টকা গ্ৰাণ্ট দিব আৰু Class X লৈ কিমান টকা Grant দিব তাৰ এটা হিচাব কৰিব লাগে। অৱশ্যে সিদিনা আমাৰ বিত্তমন্ত্ৰী ড ওৰীয়াই কৈছিল যে স্কুলবিলাক কাথফুলাৰ দৰে গজি উঠিছে। Enrolment ত ৪ শকৈ টকা খৰচ হৈ আছে Inspector য়ে স্কুলবিলাক পৰিদৰ্শন কৰি কিমান Add. teacher দিব পাৰে তাৰ এটা ব্যৱস্থা কৰিব লাগে। Add. teacher appointment ৰ কাৰণে D. P. I. ৰ অফিচৰ পৰা Approval নিব লাগে। পৰিদৰ্শনৰ ক্ষেত্ৰত Inspector ৰ সংখ্যা বঢ়াই fixed T. A. কৰিব লাগে। দৰকাৰ হলে Tour Diary দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে কিছুমানে পৰিদৰ্শন নকৰাকৈ false T. A. লৈ আছে। তাৰ পাছত কিছুমান স্কুলত শিক্ষকৰ সংখ্যা কম হোৱা হেতুকে পৰীক্ষাৰ ফলাফল ভাল নহয় আৰু De-Recognise কৰিছে। স্কুলৰ Result ভাল কৰিবলৈ হলে স্কুলবিলাকক প্ৰয়োজনীয় সা-সুবিধা দিব লাগিব। তেতিয়াহে ভাল Result হব আৰু দেশৰো উন্নতি হব। Hindi শিক্ষকৰ ক্ষেত্ৰত ১০ টা Post আছে বুলি কৈছে কিন্তু finance য়ে Approve কৰা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনত কৈছিল যে, এই Post কেইটা fill up কৰিব লাগিব। মইও আগৰ বছৰৰ পৰা কৈ আহিছো যে Hindi শিক্ষক নিয়োগ কৰক। টকা দিয়া হব বুলি কোৱাত Managing committee President য়ে কয় Hindi শিক্ষক নিয়োগ কৰিলে কিন্তু আজিলৈকে তেওঁলোকক টকা দিব পৰা নাই। গতিকে Hindi শিক্ষাৰ প্ৰচলন কৰিবলৈ হলে স্কুলবিলাকত Hindi শিক্ষক নিয়োগ কৰি টকা দিয়াৰ ব্যৱস্থা কৰক। এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰিলো।

শ্ৰীসুৰেন্দ্ৰ নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষাৰ শিতানত আজি যিটো মঞ্জুৰী সদনত উত্থাপন কৰিছে—সেইটো মই সমৰ্থন কৰিছো আৰু এই মঞ্জুৰীৰ বিৰুদ্ধে যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটোৰ মই বিৰোধিতা কৰিছো।

আজি আমাৰ দেশত যুগ যুগ ধৰি যি শিক্ষানীতি চলি আহিছে সেই শিক্ষানীতিক আৰু উন্নত কৰিবৰ কাৰণে চৰকাৰে বেছি গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন হৈছে আৰু সেই অনুপাতে আমাৰ চৰকাৰে সকলো দায়িত্ব বহন কৰি আহিছে। শিক্ষাৰ সম্প্ৰসাৰণ হৈছে।

আজি আমাৰ সদনত যথেষ্ট পৰিমাণে শিক্ষানুষ্ঠানৰ কথা উঠিছে। অৱশ্যে এই ক্ষেত্ৰত যিমান শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হব লাগিছিল সিমান হোৱা নাই। তথাপি আমাৰ গাৱঁৰ ৰাইজে বহুতো কষ্ট কৰি কিছুমান শিক্ষানুষ্ঠান গঢ়ি তুলিছে। এনেকুৱা স্কুলবিলাক চৰকাৰে লব লাগে।

কিছুমান স্কুলৰ Recognise পোৱাৰ পাছত কোনো grant নাপায়; তথাপিও সেই স্কুলবিলাক ৰাইজে চলাই থাকিব লগীয়া হয় আৰু স্কুলৰ শিক্ষক সকলক সন্তুষ্ট কৰি ৰাখিবৰ কাৰণে ৰাইজে চান্দা সংগ্ৰহ কৰি টকা দি থাকিব লগীয়া হয়। তাৰ ফলত আজি আমাৰ দেশৰ শিক্ষাৰ মানদণ্ড তললৈ গৈছে বুলি কব পাৰি। সেই কাৰণে চৰকাৰে এইবিলাক কথা চিন্তা কৰি মঞ্জুৰীৰ ব্যৱস্থা কৰিব লাগে আৰু কিছুমান তেনেকুৱা স্কুলক চৰকাৰে স্বীকৃতি নিদিয়াকৈও থকা নাই। কিন্তু Class IX ৰ পৰা class X লৈ স্বীকৃতিপ্ৰাপ্ত স্কুলক ১৫০০ টকা দিব লাগে। এইদৰে যদি দিয়া নহয় তেন্তে হলে সেই স্কুলবিলাক চলাই থকাটো অসম্ভৱ হৈ পৰে। গতিকে ৰাইজৰ স্কুলবিলাকক কি ধৰণে ব্যৱস্থা কৰিলে চলি থাকিব তাৰ এটা নিৰ্দ্দিষ্ট হিচাব দি স্কুলৰ grant দিয়া উচিত।

এনেকুৱা ক্ষেত্ৰত দেখা গৈছে যে, ৰাইজে কিছুমান স্কুল স্থাপন কৰিছে আৰু এই ভেনচাৰ স্কুলবিলাক চলাই থাকিব লগা হৈছে। আমাৰ ৰাইজৰ আৰ্থিক অৱস্থা সিমান উন্নত নহয় আৰু এৰো একোখন স্কুল চলাই থকাটো ৰাইজৰ বাবে অতি কষ্টকৰ। গতিকে এনে ধৰণৰ স্কুলক সাহায্য আদি চৰকাৰে দি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে যত্ন কৰিব লাগে। গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ যিবিলাক স্কুলত IX আৰু X পৰ্য্যন্ত হৈছে সেইবিলাকত অন্ততঃ ১½ হাজাৰ টকাৰ এড্ হক্ গ্ৰাণ্ট দিব লাগে। আৰু Deficit System লৈ অনাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে আমি এই স্কুল সমূহত অৰ্হতাসম্পন্ন শিক্ষক নিযুক্ত কৰিব পাৰিম যাৰ দ্বাৰা শিক্ষাৰ মানদণ্ড উন্নত হব। আজি ১০ বছৰৰ আগতো আমাৰ দেশত শিক্ষিত মানুহৰ হাৰ শতকৰা ২৭ জন আছিল আৰু এতিয়াও শতকৰা মাত্ৰ ২৮ জনহে হৈছে। দেখা যায় শতকৰা ৭২ জন মানুহ এতিয়াও নিৰক্ষৰ অৱস্থাতেই আছে। গতিকে আজি শিক্ষাৰ মানদণ্ড উন্নত হৈছে বা শিক্ষাৰ সম্প্ৰসাৰণ হৈছে বুলি কব নোৱাৰি কাৰণ শিক্ষিত মানুহৰ হাৰ বৃদ্ধি হোৱা নাই। সেই কাৰণে ভাৱো যে আমাৰ প্ৰাইমেৰী স্কুল বিলাকত চৰকাৰৰ ফালৰ পৰা যথেষ্ট ৰকমে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে শিক্ষক সকলেও শিক্ষাদান ক্ষেত্ৰত যথেষ্ট পৰিমাণে মনোনিবেশ কৰিব পাৰিব। ইয়াৰোপৰি আমাৰ যিবিলাক ছাত্ৰাবাস আছিল সেইবিলাকত আজিকালি ছাত্ৰৰ সংখ্যা কমি গৈছে আৰু ঘৰ-দুৱাৰ বিলাকো ভাঙি-চিঙি গৈছে। যিবিলাক নতুন স্কুল স্থাপন হৈছে সেইবিলাকত ছাত্ৰাবাসৰ কোনো ব্যৱস্থাই নাই। দূৰৰ ল'ৰাবিলাক আহি মেচ কৰি থাকি শিক্ষা লাভ কৰিব লগীয়া হয়। গতিকে এইটো স্পষ্ট যে এই পৰিবেশত প্ৰকৃত শিক্ষা লাভ হব নোৱাৰে। গতিকে এই ব্যৱস্থাৰ উন্নতি কৰিব লাগে। প্ৰত্যেক স্কুলতে যাতে উপযোগী ভাৱে ছাত্ৰাবাস নিৰ্ম্মাণ কৰে তাৰ বাবে অনুৰোধ কৰিলো। এই ছাত্ৰাবাস নিৰ্ম্মান হলে বহুত দূৰৰ পৰা আহিও ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব পাৰিব। শিক্ষা গ্ৰহণ কৰাৰ লগতে যাতে থাকিবৰ বাবেও এটা ভাল পৰিবেশ পাব পাৰে

তাৰ বাবে চৰকাৰে চকু দিব লাগে। ইয়াৰোপৰি যদি চৰকাৰে Residential type of school নির্মাণ কৰে তেতিয়াও শিক্ষাৰ উন্নতি হব বুলি আশা কৰিব পাৰি। কাৰণ দেখা গৈছে যে বহুতো স্বীকৃতিপ্ৰাপ্ত স্কুলকেই ১৯৬৯-১৯৭০ চনত recognised কৰা হৈছিল। ইয়াৰ কাৰণ হ'ল শিক্ষাৰ মানদণ্ড নিম্ন স্তৰলৈ যোৱাৰ বাবে এনে অৱস্থা হল। ইয়াৰোপৰি মোৰ সমষ্টিত যি কেইখন স্কুল আছে সেই কেইখনে Deficit grant পাইছে কিন্তু কোনো Inspector য়ে কোনো দিনে পৰিদৰ্শন কৰা নাই। বৰমাৰ যি স্কুল সেই স্কুলো আজি ১০ বছৰে পৰিদৰ্শন কৰা নাই। এইবিলাক কাৰণতে শিক্ষাৰ মানদণ্ড নিম্নস্তৰলৈ গৈছে। গতিকে এই ক্ষেত্ৰত এতিয়া চোকা নজৰ দিব লাগে। আজি হাজাৰ হাজাৰ স্কুল, কলেজ স্থাপন হৈছে কিন্তু এইবিলাকৰ প্ৰতি যদি সতৰ্কভাৱে দৃষ্টি দিয়া নহয় তেতিয়া হলে শিক্ষাৰ মানদণ্ড নিম্নস্তৰলৈ যোৱাটো স্বাভাৱিক। গতিকে মই চৰকাৰক অনুৰোধ কৰো যে আমাৰ যিমান বিলাক প্ৰাইমেৰী আৰু ভেনচাৰ স্কুল আছে সেই সকলোবিলাককে প্ৰয়োজনীয় সা-সুবিধা দিব লাগে আৰু শিক্ষক সকলকো যাতে সকলো ব্যৱস্থাৰে সহায় কৰিব পাৰে তাৰ কাৰণে অনুৰোধ কৰিলো। চৰকাৰে সকলো ৰকমে সহায় কৰিলেহে শিক্ষাৰ মানদণ্ড উন্নত হব।

শ্ৰীপ্ৰেমধৰ বৰা—আমাৰ চৰকাৰে ২৫ বছৰেই শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে চেষ্টা কৰিছে আৰু টকা খৰচ কৰিছে কিন্তু শিক্ষিতৰ সংখ্যা ২৭ percent ৰ ওপৰলৈ যাব পৰা নাই। আনকি 30 percent লৈও যাব পৰা নাই। সেই কাৰণে চৰকাৰৰ School De-recognise কৰিবলৈ কি অধিকাৰ আছে?

আমাৰ নীতি হৈছে দেশ খন স্বাধীন হ'ল—কিন্তু শিক্ষা নীতি হ'ল পৰাধীন মনোবৃত্তিৰ। আমাৰ স্বাধীন দেশত আজি শিক্ষা নীতি বৈষম্যমূলক ত্ৰুটিপূৰ্ণ হৈছে কবলৈ গলে গোটেই প্ৰশাসনীয় যন্ত্ৰটোৱেই ত্ৰুটিপূৰ্ণ হৈ পৰিছে। এই শিক্ষাই আমাৰ চৰিত্ৰত প্ৰভাৱ পেলাব পৰা নাই চৰিত্ৰ গঠনত সহায় কৰা নাই; আৰ্থিক শাৰিৰীক কোনো বিষয়তেই সহায় কৰিব পৰা নাই। মুঠতে এই শিক্ষা নীতিটো পৰাধীন মনোবৃত্তিৰ শিক্ষা-নীতি হৈছে।

কেইটামান পৰামৰ্শ এই প্ৰসঙ্গত আগবঢ়াব বিচাৰিছো, যি শিক্ষাই আমাক আত্মনিৰ্ভৰশীল হবলৈ নিশিকাই যি শিক্ষাই স্বাবলম্বী হবলৈ নিশিকাই আৰু আমাৰ আধ্যাত্মিক উৎকৰ্ষ সাধনত সহায় নকৰে, আমাৰ শাৰিৰীক আৰু আৰ্থিক উন্নতিত সহায় নকৰে, সেই শিক্ষাক প্ৰকৃত শিক্ষা বুলি কব নোৱাৰি।

এতিয়া শাৰিৰীক শিক্ষাৰ ক্ষেত্ৰত কওঁ এই শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে কোনো উন্নতি সাধন কৰিব পৰা নাই। আমাৰ যৌগিক আসন ভাৰতবৰ্ষৰ এটা ঐতিহ্য এই যৌগিক আসন আজি ৰাছিয়াত compulsory হৈ পৰিছে অথচ আমাৰ অসমত এই যৌগিক আসনৰ কোনো উন্নতি হোৱা নাই, অসমত আজি Physical Training Institute এটা নাই—য'ত আমাৰ লৰাই Physical Training লব পাৰে। মই সভাপতি মহোদয় আপোনাৰ জৰিয়তে দাবী কৰিব

(Speech not corrected.)

বিচাৰিছো যে এই পুৰণা ঐতিহ্যটো যেন বজাই ৰাখিবলৈ চৰকাৰে চিন্তা কৰে।

তাৰ পাচত আমাৰ সংস্কৃত শিক্ষাৰ কথা কওঁ, ই ভাৰতবৰ্ষৰ Father language বুলি কব পাৰি তেনেস্থলত চৰকাৰে এই সংস্কৃত শিক্ষাৰ প্ৰতি কোনো মনোনিবেশ কৰিব পৰা নাই। অথচ আমাৰ দেশত আজি কৃষি বিশ্ববিদ্যালয় আইন বিশ্ববিদ্যালয় হৈছে কিন্তু এখন সংস্কৃত বিশ্ববিদ্যালয় এতিয়ালৈকে হোৱা নাই তদুপৰি আমাৰ হাইস্কুলবিলাকত আজিকালি বাধ্যতামূলক সংস্কৃত শিক্ষাৰ ঠাইত হিন্দী হৈছে। গতিকে মই চৰকাৰক অনুৰোধ কৰো যেন এখন সংস্কৃত বিশ্ববিদ্যালয় অনতিপলমে অসমত পাতিবলৈ ব্যৱস্থা কৰে।

আনহাতেদি চাওক আমাৰ শিক্ষাৰ এতিয়ালৈকে কোনো Plan হোৱা নাই এই শিক্ষাই আমাক পৰান্মুখী কৰি তুলিছে কাৰণ কোনোমতে এই শিক্ষা আয়ত্ব কৰি কেৰাণীৰ চাকৰিৰ কাৰণেই হাবাথুৰী খাব লাগে গতিকে নিজৰ ওপৰত আত্মনিৰ্ভৰশীল হব নোৱাৰি। আজি আমাৰ চাৰিওফালে হাইস্কুল L. P. স্কুল বা কলেজ দিনক দিন বাঢ়ি আহিছে কিন্তু চৰকাৰৰ ফালৰ পৰা এই স্কুল-বোৰলৈ আৰ্থিক সাহায্য বৈষম্যমূলক হিচাবে আগবঢ়াইছে। আমাৰ Goswami ডাঙৰীয়াই কৈছিল এখন কলেজে পাই ৪২ হাজাৰ টকা আকৌ আন এখন কলেজে ১ হাজাৰ টকা। হাইস্কুল বিলাকক Deficit System ত ৫০০০ টকা আৰু কিছুমান স্কুলত ২৫০ টকা শিক্ষামন্ত্ৰীয়ে নিজৰ School খনতে ২৫০ টকাতকৈ বেছি দিয়ে অথচ এখন স্কুলত জানো ২৫০ টকা দিলেই হয়? আকৌ কিছুমান স্কুলত ১২০ জন ছাত্ৰৰ মাজত ৫ জন শিক্ষক থাকে অথচ কিছুমান স্কুলত ১২০ জনৰ ঠাইত এজনহে থাকে। গতিকে এই বৈষম্য বিলাক দূৰ হব লাগে।

আমাৰ শিক্ষাত আজি ৰাজনৈতিক প্ৰভাৱ পৰিব দিব নালাগে আমাৰ শিক্ষা-বিদ সকলৰ হাতত স্বতন্ত্ৰভাৱে এই শিক্ষাৰ curriculam মুকলিভাৱে এৰি দিব লাগে। মই আশা কৰিছো বৰ্ত্তমান যি শিক্ষা-নীতি তাৰ আমোল পৰিবৰ্ত্তন কৰি স্বাধীন দেশৰ পৰাধীন মনোবৃত্তি গুচাই প্ৰকৃত সু-শিক্ষা নীতি প্ৰয়োগ কৰিবলৈ আমাৰ শিক্ষাবিদ সকলৰ হাতত মুকলিভাৱে স্বাধীনভাৱে এৰি দিব লাগে। আৱশ্যক হলে আমাৰ পাঠ্যক্ৰম বা curriculam বদলি কৰি হলেও নতুন ধৰণৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয় আকৌ কও যে আজি আমাৰ ল'ৰাক Fine Arts পঢ়িবলৈ Bombay Shanti Niketon ইত্যাদিত লাখে লাখে টকা খৰচ কৰে তাত আমাৰ ছাত্ৰ সকলে ১০ মাহৰ পিছতে বৃত্তি নিয়মীয়াকৈ নোপোৱাত উভতি আহে গতিকে Fine Arts Institute এখন অসমত পাতিব লাগে। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

(সময়ৰ সংকেত)

যিখন ৰাজ্যৰ চৰকাৰে 30 P.c. কে শিক্ষিত কৰিব পৰা নাই আকৌ যি চৰকাৰে স্কুলবিলাক উপযুক্তভাৱে পৰিদৰ্শন কৰিব পৰা নাই সেই চৰকাৰে কিছুমান স্কুল De-recognise কৰা কোনো ৰকম ন্যায় সঙ্গত নহয়। তদুপৰি যিবিলাক

পৰিদৰ্শকে উচিত মতে স্কুলবিলাক পৰিদৰ্শন নকৰে তাৰ এটা সমীক্ষা আমাৰ আগত ডাঙি ধৰিব লাগে। আমাক D. I. আৰু Inspector সকলক পৰিদৰ্শনৰ কাৰণে আনিব লাগিলে গাড়ীৰে আনিব লাগে।

আজি ৩ বছৰেই হ'ল Inspector য়ে স্কুলবিলাক পৰিদৰ্শন কৰা নাই। গতিকে যিবিলাক স্কুল নতুনকৈ খোলা হৈছে সেইবিলাক পৰিদৰ্শন কৰাৰ কাৰণে নিশ্চিত ব্যৱস্থা কৰিব লাগে। আজি এনেকুৱা হৈছে গাড়ী ভাৰা নিদিলে School পৰিদৰ্শন কৰিবলৈ নাযায়। প্ৰকৃততে পৰিদৰ্শন কৰাটো D. I. ৰ কৰ্ত্তব্য। স্কুলবিলাকে খৰচ বহন কৰি School পৰিদৰ্শন কৰাৰ বাবে তদন্ত কৰিব লাগে। অসমত স্কুকুমাৰ ক'লা, যোগভ্যাস; Physical Training ৰ একোটাকৈ বিষয় খোলাৰ ব্যৱস্থা কৰক।

শ্ৰীভাদ্ৰেশ্বৰ গগৈ: সভাপতি মহোদয়, শিক্ষাৰ বিভাগৰ কৰ্তন প্ৰস্তাৱটোত অংশ গ্ৰহণ কৰি মই চমুকৈ দুবাৰ কব বিচাৰিছো। শিক্ষা নীতিৰ ওপৰত আজি যথেষ্ট আলোচনা সমালোচনা হৈছে। আমাৰ দেশত বৰ্ত্তমান যি শিক্ষা চলিছে এই শিক্ষাৰ আমোল পৰিবৰ্ত্তন কৰিবৰ কাৰণে যথেষ্ট আলোচনা কৰা হৈছে আৰু তাৰ বাবে পৰিকল্পনাও হাতত লৈছে, কোটি কোটি টকা খৰছ কৰিছে; এইটো কথা সচা যে—স্বাধীনতা পোৱাৰ ২৫ বছৰৰ পিচত বহুত টকা খৰচ কৰা হৈছে আৰু প্ৰতি বছৰে বহুত পৰিকল্পনা হাতত লোৱা হৈছে কিন্তু শিক্ষানীতিৰ কোনো পৰিবৰ্ত্তন আনিব পৰা নাই। আমাৰ দেশত বৃটিছৰ দিনত আমোলাতান্ত্ৰিক শিক্ষা চলিছিল আৰু আজিও এই শিক্ষাই চলি আছে। এই শিক্ষা নীতি পৰিবৰ্ত্তন কৰিবৰ কাৰণে নানান সমালোচনা কৰা হৈছে, কিন্তু কিয় পৰিবৰ্ত্তন কৰিব পৰা নাই সেইয়া চিন্তাৰ বিষয়। আজিও আমাৰ দেশত এনে শিক্ষা-নীতি থকাৰ কাৰণে আমাৰ দেশত ব্যাপকভাৱে নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। যদি এই নীতি পৰিবৰ্ত্তন কৰা নহয় তেন্তে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। এই কথা জানিও কিয় আজি আমাৰ শিক্ষা-নীতিৰ পৰিবৰ্তন কৰিব পৰা নাই—সেই কাৰণে মই আচৰিত হৈছো। মই এনেদৰে ভাবিছো যে—যি সকল লোকে এই শিক্ষা-নীতিৰ পৰিবৰ্ত্তন কৰিবৰ কাৰণে বিভিন্ন পৰিকল্পনা লৈছে আৰু দায়িত্ব লৈছে তেওঁলোকে পৰিবৰ্ত্তন অনাটোত মুঠেই চেষ্টা কৰা নাই। চেষ্টা কৰিলে মই ভাবো শিক্ষা-নীতিৰ পৰিবৰ্ত্তন কৰাটো কোনো ডাঙৰ কথা নহয়। ইচ্ছা থাকিলে পৰিবৰ্ত্তন কৰিব পাৰি, কিন্তু ইচ্ছা কৰা নাই। শিক্ষা নীতিৰ পৰিবৰ্ত্তন নহলে অমাৰ দেশৰ মঙ্গল হব নোৱাৰে। এতিয়া যি কি নহওক আমাৰ দেশত যি শিক্ষা চলিছে সেই শিক্ষাকে আমি অনিচ্ছা স্বত্বেও গ্ৰহণ কৰিবলৈ বাধ্য হৈছো।

এতিয়া আমাৰ দেশৰ শিক্ষা-নীতি দূৰ কৰিবলৈ হলে শিক্ষাৰ ওপৰত বেছিকৈ মনোযোগ দিব লাগিব। শিক্ষাৰ যদি উন্নতি নহয় তেন্তে দেশৰ উন্নতি হব নোৱাৰে। আমাৰ দেশত যি ধৰণে শিক্ষা প্ৰচলন কৰিব লাগিছিল আৰু গুৰুত্ব দিব লাগিছিল, সেই ধৰণে গুৰুত্ব দিয়া নাই। আজি স্বাধীনতাৰ ২৪ বছৰৰ পিচতো আমাৰ দেশত হাজাৰ হাজাৰ মানুহ অশিক্ষিত হৈ আছে আৰু চৰকাৰৰ তৰফৰ পৰা এই নিৰক্ষৰতা দূৰ কৰিবৰ কাৰণে যত্ন লোৱা দেখা পোৱা নাই।

আমাৰ শিক্ষাৰ মূল ভেটি হ'ল প্ৰাইমেৰী শিক্ষা। এই শিক্ষাৰ উন্নতি নহলে দেশৰ উন্নতি হব নোৱাৰে। কিন্তু দুখৰ বিষয় প্ৰাইমেৰী শিক্ষাত মনোযোগ দিয়া নাই। আজিও আমাৰ ৰাজ্যখনৰ বহুটো ভেনচাৰ প্ৰাইমাৰী স্কুল আছে। এই স্কুল বিলাক ১০।১৫ বছৰে প্ৰাইভেট হৈ আছে চৰকাৰে লবৰ কাৰণে সিদ্ধান্ত লোৱা নাই। চৰকাৰী হিচাব মতেই ১২ শ তেনে ধৰণৰ স্কুল আছে। প্ৰাইমাৰী স্কুলৰ ঘৰ-দুৱাৰৰ অৱস্থাও একেবাৰে বেয়া। ছাত্ৰ ছাত্ৰীয়ে পঢ়িবৰ কাৰণে প্ৰয়োজনীয় আচবাব নাই। যদি এইটোৱে হয় তেন্তে আমাৰ দেশৰ উন্নতি হব নোৱাৰে। ইয়াৰোপৰি আমাৰ ৰাইজে উচ্চ শিক্ষাৰ কাৰণে হাইস্কুল স্থাপন কৰিছে সেইবিলাকক চৰকাৰে যিটো অনুদান দিছে সেইখিনি যথেষ্ট নহয়। প্ৰয়োজনীয় অনুদান নেপালে স্কুলবিলাক চলে কেনেকৈ ? তাৰ পাছত চৰকাৰে যোৱা বছৰৰ পৰা কিছুমান স্কুলক নাম চাম Ad. hoc Grant দিয়াৰ ব্যৱস্থা কৰিছে। এই টকা কেনেভাৱে বিতৰণ কৰিব তাৰ কোনো সিদ্ধান্ত কৰা নাই। এইভাৱে কৰিলে বহুত বেমেজালিৰ সৃষ্টি হয়। তাৰোপৰি এই গ্ৰাণ্টটো বছৰৰ শেষত দিয়াৰ বাবে স্কুলৰ শিক্ষক সকলে দৰমহা নোপোৱাকৈ কাম কৰিব লগা হৈছে। এই স্কুলবিলাকে ঘৰ-দুৱাৰ সজাৰ পৰা আৰম্ভ কৰি শিক্ষকৰ দৰমহা আদি দিয়াৰ ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য কৰিব লাগে তাৰোপৰি স্কুলবিলাকৰ যিটো Building grant দিছে এইটো অতি নগণ্য। যোৱা কেইবছৰত বিভিন্ন স্কুল বিলাকৰ বাবে যি ঘৰ সজা মঞ্জুৰী দিছে সেই মঞ্জুৰী যথেষ্ট নোহোৱাৰ বাবে বহুতো স্কুলক গ্ৰাণ্ট দিব পৰা নাই। তাৰ ফলত ৰাইজ অসন্তুষ্ট হৈছে আৰু শিক্ষা দানত বাধা পৰিছে।

হাইস্কুল বিলাকৰ ক্ষেত্ৰত যি grant দিছে সেই ১০।১২ হাজাৰ টকীয়া Grant যে এটা সমষ্টিত কাৰেই নহয়। কিয়নো একোখন স্কুলত প্ৰয়োজনীয় টকা নেপালে তাৰ দ্বাৰা কোনো কামেই আশা কৰিব নোৱাৰি। কিন্তু দেশৰ উন্নতি কৰিবলৈ হলে শিক্ষাৰ উন্নতি অপৰিহাৰ্য্য আৰু শিক্ষাৰ উন্নতিৰ বাবে শিক্ষানুষ্ঠান সমূহৰ উন্নতি আৱশ্যক। গতিকে স্কুল বিলাকৰ প্ৰতি বিশেষ মনোযোগ দিবলৈ মই চৰকাৰক দাবী জনালো।

আমাৰ ৰাজ্যত M.V. স্কুল বহুত আছে। তাৰে ভিতৰত থকা Venture M.V. স্কুলবোৰ আজি বহু বছৰ ধৰি চৰকাৰে লোৱা নাই। এই স্কুলবোৰ সোনকালে লোৱা ব্যৱস্থা বিচাৰো মোৰ নিজৰ সমষ্টিতে টিংখাং হাইস্কুলৰ কথা দুৱাৰৰ কৰ বিচাৰিছো। এই স্কুলখনত Class IV ৰ পৰা Class X লৈকে তিনিটাকৈ Section আছে তথাপিও তাত Additional শিক্ষক দিয়া হোৱা নাই যদিও বহু আবেদন নিবেদন কৰা হৈছে। গতিকে এনেবোৰ স্কুলৰ প্ৰতি বিশেষ মনোযোগ দিবলৈ চৰকাৰক জনাই থৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী লিলি সেনগুপ্তা : মাননীয় চেয়াৰমেন মহোদয়, শিক্ষা শিতানত মঞ্জুৰী প্ৰস্তাৱটো সমৰ্থন কৰি যি ব্যৱস্থা চৰকাৰে শিক্ষাৰ উন্নতিৰ হকে লৈছে তাৰ শলাগ লৈছো। চৰকাৰে পুথিভঁৰাল খেলাধূলা আৰু বৃত্তি আদিত বহু টকাই দিছে। তাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ যথেষ্ট সুবিধা হৈছে লগতে বৃত্তি

আৰু দুটা দিছে। এটা Merit Scholarship আনটো যিবিলাকৰ উপাৰ্জন কম তেনেলোকলৈ Scholarship দিছে। কিন্তু কম উপাৰ্জনক্ষম লোকলৈ দিয়া Scholarship ৰ সংখ্যাটো বৰ কম হৈছে। গতিকে এইটো অলপ বঢ়াই দিবলৈ অনুৰোধ কৰা হ'ল। তেতিয়াহে দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনাৰ সুযোগ-সুবিধা পাব। আমাৰ কলেজ সমূহত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ Fees ৰ উপৰিও সাত মাহৰ আৰু অন্যান্য Fees একেলগে দিবলগীয়া হোৱা বাবে বহুতো দুখীয়া ছাত্ৰই এই টকা দিব নোৱাৰি পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হয় গতিকে এই কথালৈ চৰকাৰক বিশেষ মনোযোগ দিবলৈ অনুৰোধ কৰিলো। এই ব্যৱস্থাটোৰ এটা সজ উপায় নিশ্চয় কৰিব লাগিব।

শিক্ষাৰ ক্ষেত্ৰত দিয়া টকাৰ হিচাব পত্ৰ কেৱল Managing Committee য়েহে কৰে। আনকি বহু অভিভাৱকো ইয়াৰ পৰা বিৰত থাকে। হাইস্কুলৰ Auditing ৰ সময়ত মই দেখিছো Local Audting ক দিও কাম কৰাব পৰা নাই। গতিকে এই Auditing ৰ সুব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মোৰ সমষ্টিৰ মিলন হাইস্কুলৰ কথাই কৈছো। স্কুলসমূহৰ স্বিকৃতি বাতিল কৰাৰ ব্যৱস্থাটোক যেনেকৈ আমি ব্যতিক্ৰম বুলি কব খুজিছো, সেইদৰে স্কুলক স্বীকৃতি আৰু অনুমতি দিয়াৰ ক্ষেত্ৰতো যথেষ্ট পক্ষপাতিত্ব কৰা হয়। যেনে মোৰ সমষ্টিৰ মিলনপুৰ M.E. School

৫ বছৰ আগতে স্বীকৃতিপ্ৰাপ্তিৰ যোগ্য মিলন স্কুলে আবেদন কৰাত ৫০০ টকাহে grant পাইছে। কিন্তু এতিয়া এই স্কুলৰো স্বীকৃতি হোৱা নাই বুলি কৈ এই বছৰ স্কুলে পোৱা ১৬০০ টকাৰ grant টো ঘূৰাই শিলংত পঠিয়াই দিলে। গতিকে এই স্কুললৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। শিক্ষকসকল D.P.I. অফিচলৈ আহি আহি আমনি পাইছে। আনকি D. I. আৰু A. D. I. ৰ কোনো যোগাযোগ নাই যেন পাওঁ। আমি কিবা কথা সুধিলে D.I. ক সোধো তেখেতে আকৌ A. D.I. ক সুধিবলৈ কয়। কিন্তু A. D. I. ও নজানো বুলি কয়। এইবোৰ খেলিমেলিয়ে শিক্ষাত বাধাপ্ৰাপ্ত হৈছে।

পৰীক্ষাৰ ফলাফল ভাল নহ'লেই যে Derecognise কৰে এইটো ব্যৱস্থা উপযুক্ত নহয়। কিয় ফলাফল বেয়া হল তাৰ বাবে আগৰে পৰা department, Inspector এ যত্ন লব লাগে। Inspector যি সকলে গাড়ীৰ অভাৱত স্কুল পৰিদৰ্শন কৰিব নোৱাৰে তেখেতসকল Block আদিৰ পৰা গাড়ী লৈও পৰি-দৰ্শনৰ কাম কৰিব পাৰে। যদি পৰিদৰ্শন নকৰে তেনেহ'লে শিক্ষাৰ মানদণ্ডৰ উন্নতি কেনেকৈ হব বুজি নাপাওঁ। আজিকালি শিক্ষকসকলৰ ৰাজনীতিত অনেকে সোমাই পৰিছে গতিকে তেওঁলোকে ৰাজনীতিত অংশ গ্ৰহণ কৰিলে ছাত্ৰসকলেও অংশ গ্ৰহণ কৰাৰ সম্ভাৱনা থাকে।

এতিয়া শিক্ষা বিভাগটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লৈছে যেতিয়া এই বিলাক দোষ আঁতৰাব বুলি আশা কৰিলো আৰু মুখ্যমন্ত্ৰী মহোদয়ক এই উদ্দেশ্যে অনুৰোধ জনালো।

গতিকে এই কথাটোৰ এটা ভাল সিদ্ধান্তৰ কাৰণে ভাল বিবেচনাৰ কাৰণে

মুখ্যমন্ত্ৰীয়ে হাতত লৈছে তেনেকুৱা পৰিস্থিতিৰ যাতে উদ্ভৱ নহয় চাবৰ কাৰণে অনুৰোধ কৰিলো।

মোৰ সমষ্টিত বহমৰীয়া মৌজাত এখন হাইস্কুল আছে। এই স্কুলখনৰ ঘৰ-দুৱাৰ যি আছিল যোৱা বছৰ ধুমুহাত ভাঙি গ'ল এই স্কুলখনৰ কিছু গ্ৰাণ্টৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। এই স্কুলখনত পিচপৰা লৰা-ছোৱালীয়ে শিক্ষালাভ কৰে। গতিকে অলপ চকু দিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতিলাল কালু : মাননীয় চেয়াৰম্যান মহোদয়, আসামেৰ দুইটি জেলায় মাত্ৰ বাগানেৰ L.P. School নেওয়া হয়নি বলে বাগানেৰ শ্ৰমিকদেৰ ছেলেমেয়েৰ লেখাপড়ায় ভীষণ অসুবিধা হচ্ছে। কাৰণ এই বাগানেৰ L.P. যে শিক্ষক, তাদেৰ স্কুলেৰ শিক্ষাকতা কৰা ছাড়াও অনেক সময় বাগানেৰ অফিচে কেৰানীৰ কাজ কৰতে হয়। সেজন্য, সেখানে লেখাপড়াৰ দিকে কোন উন্নতি হয় নাই, আমাদেৰ কাছাৰ জেলায় বাগানেৰ স্কুল নেওয়া হয়েছে, কিন্তু আমাৰ সমষ্টিতে ৫ টা স্কুল ও নেওয়া হয় নাই। আমি এবিষয়ে কতবাৰ কৰ্তৃপক্ষেৰ দৃষ্টি আকৰ্ষণ কৰেছি কিন্তু এই তিন বৎসৰে আমাৰ সমষ্টিৰ বাগান এলাকাৰ ৫ টা স্কুল না লেওয়াৰ কাৰণ বুঝতে পাৰি নাই। তাছাৰা সমস্ত প্ৰদেশেৰ পাঠশালা স্কুল গুলিৰ ঘৰ, Furniture ইত্যাদিৰ সুবন্দোবস্ত কৰা প্ৰয়োজন। আমাদেৰ আসামে অনেক স্কুল আছে, যে গুলিৰ ভিতৰে গেলে আকাশ দেখা যায়। আমি বুঝতে পাৰিনা সৰকাৰ কেন এই ব্যাপাৰে এত উদাসীন। এই পাঠশালা গুলিৰ যা অৱস্থা, বৰ্ষাৰ সময় কি কৰে আমাদেৰ ছেলেমেয়েৰা পড়াশুনা কৰবে বুঝতে পাৰিনা। স্কুল গুলিৰ বিল্ডিংএৰ জন্য প্ৰতি বৎসৰ মাত্ৰ ১৫/২০ হাজাৰ টাকা দেওয়া হয় এই অল্প টাকা প্ৰতি এৰিয়াত ২০০-৩০০ স্কুলেৰ মধ্যে বণ্টনে ভীষণ অসুবিধা হয়। প্ৰতি স্কুল ৪০০/৫০০ টাকাৰ বেশী দেওৱা সম্ভৱ হয় না। এবিষয়ে আমি আৰ একটি পৰামৰ্শ দিতে চাই যাতে নাকি সৰকাৰ এই L.P. School গুলিৰ Permanent Building Construction কৰাৰ ব্যৱস্থা কৰেণ, যাতে এই ছোট ছোট ছেলেমেয়েদেৰ পড়াশুনা কৰাৰ জন্য নিৰাপদে স্কুলে পাঠানো যায়। তাছাৰা এই L.P. School গুলি Election এৰ সময়ও ব্যৱহাৰ কৰা হয়। Election বড়কথা নয়, ছেলে মেয়েদেৰ নিৰাপদে পড়াশুনা কৰাৰ জন্য এই বিষয়ে বিশেষ দৃষ্টি দেওয়া দৰকাৰ। বাগানেৰ L.P. School গুলি নেওয়া হলেও অনেক বাগানেৰ M.E. School, High School আছে যে গুলি কেন নেওয়া হয় নাই তাৰ কাৰণ জানিনা, আমি মনে কৰি সেই স্কুল গুলি শীঘ্ৰ সৰকাৰ গ্ৰহণ কৰে, পড়াশুনাৰ যাতে উন্নতি হয় সেদিকে লক্ষ্য ৰাখবেন। তাছাৰা অনেক Deficit Grant পাওয়া স্কুল হিন্দী Grant পায় নাই। সৰকাৰকে আমি অনুৰোধ কৰি যেন সেদিকে বিশেষ দৃষ্টি দেন। অত্যন্ত দুঃখেৰ বিষয় গত-বৎসৰ একটীও School এ হিন্দী Grant দেওৱা নাই। আমি বলতে চাই যেগুলি High School এবং M.E. School Adhoc Grant পেয়েছে সেগুলি যাতে Hindi Grant পায় তাৰ ব্যৱস্থা যেন সৰকাৰ অনতিবিলম্বে গ্ৰহণ কৰেন।

আমাদেৰ কাছাৰ জেলায় School Inspector আছেন। কিন্তু আজ এক

বৎসৰ যাবৎ একজন Asstt. Inspector of. Schools, নাই। এতে স্কুল পবিদর্শনেৰ দিক দিয়ে কি উপকাৰ পাচ্ছি তা বলা কঠিন। আমি দাবি কৰি যেন এ দুটিই পদে শীঘ্রে দুজন অফিচাৰ নিয়োগ কৰা হয়।

High School এৰ বেলায় November মাসে Test পৰীক্ষা নেওয়া হয় এবং তাৰপৰ Class x এর ছাত্রদেৰ স্কুল যেতে হয় না, কিন্তু বেতন 31st March পৰ্যান্ত দিতে হয়। এই ৪ মাস পড়াশুনা হয়না কিন্তু বেতন দিতে হয়। আমি দাবী কৰি কৰি যাতে নাকি December মাস পৰ্যান্ত নেওয়া হয়। আৰ যদি সৰকাৰ এই ৪ মাসেৰ বেতন নেন, তবে এই 8 মাসেৰ পড়াৰ সুযোগ ছেলেদেৰ দিতে দাবী জনাই। যেগুলি High School. M.E. School প্ৰভৃতিকে Recognition দেওয়া হয়েছে সেগুলিকে যেন উপযুক্ত আৰ্থিক সাহায্য এই বৎসৰ দেওয়া হয় তাৰ ব্যৱস্থা যেন শিক্ষামন্ত্রী মহোদয় অচিৰেই কৰেন, আমাৰ নিজেৰ সমষ্টিৰ একটা High School আজ ৪ বৎসৰেও Deficit না পাওয়াৰ কাৰণ বুঝতে পাৰি নাই। অথচ আমাদেৰ Area টা হলো Backward Area. সেজন্য সৰকাৰেৰ কাছে আমি অনুৰোধ কৰছি যেন, এই বৎসৰ যাতে নাকি আমাদেৰ এলাকাৰ কয়েকটি Deficit High স্কুলেৰ মঞ্জুৰী দেওয়াৰ প্ৰতি সৰকাৰ একটু সহানুভূতিশীল হন। যাতে নাকি আমাদেৰ পৰবৰ্তী ভৱিষ্যৎ বংশধৰদেৰে ঠিক ভাৱে তৈৰী কৰতে পাৰা যায়। এই বলে আমি আমাৰ বক্তব্য শেষ কৰছি।

শ্ৰীবিনয় কৃষ্ণ ঘোষ : মাননীয় সভাপতি মহোদয়, এই কৰ্তন প্ৰস্তাৱৰ উপৰত আমাৰ মাননীয় সদস্য সকলৰ বহুতে শিক্ষা সমস্যা, শিক্ষা বিভাগৰ দোষ ক্ৰুটি সম্বন্ধে আলোচনা কৰিছে আৰু পৰামৰ্শ আদিও আগবঢ়াইছে আশা কৰো এই পৰামৰ্শ বিলাক পৰীক্ষা কৰি গ্ৰহণ কৰিব।

সভাপতি মহোদয়, আমি যদি খাছীজয়ন্তীয়া পাহাৰ আৰু মিজোপাহাৰক বাদ দিও তেন্তে অসমতে নিৰক্ষৰৰ সংখ্যা আটাইতকৈ বেছি। যোৱা censusৰ figure চাওঁক মাত্ৰ শতকৰা ৩-৪ ভাগহে বাঢ়িছে। এই বৃদ্ধি তেনেই নগণ্য। গতিকে এই নিৰক্ষৰতা দূৰ কৰাৰ কাৰণে চৰকাৰে বিশেষ যত্ন লব লাগে। নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব লাগিব। প্ৰাথমিক শিক্ষা আজিলৈ বাধ্যতামূলক কৰিব পৰা নাই। গতিকে চৰকাৰে ইয়াৰ বিশেষ যত্ন লব লাগিব। সভাপতি মহোদয় প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ হলে গাওঁ আৰু চহৰৰ মাজত যি বৈষম্য আছে তাক দূৰ কৰিব লাগিব। চহৰৰ স্কুল বিলাকত ৮০-১০০ জন লৰা-ছোৱালী থাকিলেও তাত ৩-৪ জন শিক্ষক দিয়া হয় আনহাতে গাওঁ অঞ্চলৰ ১০০/২০০ লৰা ছোৱালী থাকিলেও তাত মাত্ৰ এজনহে শিক্ষক দিয়া হয়।

কিন্তু আকৌ ১০০ জন ছাত্ৰ-ছাত্ৰী থাকিলেও এজন দিয়া হৈছে। এজন শিক্ষকে চাৰিটা শ্ৰেণীৰ Class কৰিব নোৱাৰে। ৭/৮ জন লৰা হলেও এজন শিক্ষকে শিক্ষা দিব নোৱাৰে। গতিকে গাওঁতেই হওক বা চহৰতেই হওক এজনতকৈ বেছি শিক্ষক দিয়াৰ যত্ন কৰে যেন চৰকাৰে। ইয়াৰ উপৰিও সভাপতি মহোদয় মই দেখিছো শিক্ষা ক্ষেত্ৰত বৈষম্য আছে সেইবিলাক দূৰ

কৰিবলৈ লৰা ছোৱালীৰ শিক্ষাৰ অৰ্থে বিশেষ যত্ন লব লাগে। যিবিলাক অঞ্চল শিক্ষাৰ ক্ষেত্ৰত পিচপৰি আছে সেই অঞ্চল বিলাকক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ চৰকাৰে যত্ন কৰিব লাগে। গোৱালপাৰা অন্যান্য জিলাবিলাকতকৈ শিক্ষা ক্ষেত্ৰত বিশেষ পিচপৰা গতিকে গোৱালপাৰাৰ মানুহখিনিক শিক্ষাত আগবঢ়াবলৈ হ'লে তাত ভাল স্কুল কলেজ আৰু অন্যান্য শিক্ষা অনুষ্ঠান বিলাক পাতি ভাল শিক্ষক নিয়োগ কৰক। শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। গোৱালপাৰা জিলাত বেছি ভাগেই ৰাভা কচাৰী মানুহ। গতিকে তেওঁলোকক শিক্ষাত আগবঢ়াবলৈ, ভাল শিক্ষকৰ প্ৰয়োজন। গোৱালপাৰাত Deficit School ৰব কম। যি সময়ত Deficit High School নাছিল High School ৰ কথা উঠাই নাছিল। গতিকে গোৱালপাৰাও শিক্ষাৰ ক্ষেত্ৰত বহুত পিচপৰি আছে যিহেতু তাত কোনো ইঞ্জিনিয়াৰিং, পলিটেকনিক, মেডিকেল আদি কোনো College এই নাই। গতিকে এইবিলাক ক্ষেত্ৰত গোৱালপাৰা যথেষ্ট পিচপৰি আছে। গতিকে গোৱালপাৰাৰ কচাৰী ৰাইজৰ দাবী আছিছে যে বৰ্ত্তমান যিটো Agriculture শিক্ষা অনুষ্ঠান পতাৰ কথা আছে সেইটো গোৱালপাৰাতেই পাতিব লাগে আৰু যিহেতু Central ৰ পৰাও অনুদান পাব। গোৱালপাৰাত B. T. স্কুল এখন আছে। তাত ঘৰবাৰী সকলো আছে কিন্তু স্কুলখন নাই অৰ্থাৎ সেই স্কুলখন নামতহে আছে কিন্তু তাত সৈনিক স্কুলহে হৈ আছে। গতিকে সৈনিক স্কুলখন মৰনৈত ঘৰ বান্ধি তালৈ পঠিয়াই B. T. স্কুলখন আৰম্ভ কৰিব লাগে। এতিয়া Paper Mill ৰ আৰম্ভ হব ইয়াত যেতিয়া স্থানীয় মানুহবিলাক কামত সোমাব নোৱাৰিব আৰু বেলেগৰ পৰা গৈ কামত সোমাব তেতিয়া স্থানীয় মানুহৰ মনত কি প্ৰতিক্ৰিয়াৰ সৃষ্টি হব সেইটো হয়টো চৰকাৰে নাজানিব।

সভাপতি মহোদয় আৰু এটা কথা কব বিচাৰিছোঁ যে বৰ্ত্তমান যিটো শিক্ষা পদ্ধতি এই শিক্ষা পদ্ধতিটো উপযুক্ত হোৱা নাই। বৰ্ত্তমান যি শিক্ষা লাভ কৰে সেই শিক্ষাই চৰকাৰৰ মুখাপেক্ষী হবলৈকে শিকায় আৰু ইয়াৰ ফলত নিবনুৱাৰ সংখ্যা বাঢ়ি চৰকাৰক বেমেজালিতহে পেলায়। গতিকে আমাৰ দেশত এনে এটা শিক্ষা পদ্ধতিৰ প্ৰয়োজন যি শিক্ষাই চৰকাৰৰ মুখাপেক্ষী হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এইবিলাক সমস্যা সমাধানৰ প্ৰতি কানসাৰ নাই। আজি আমাৰ Man power এ কি কৰিছে? চীনৰ Man power এ পৃথিৱী কঁপাই আছে। শিক্ষানীতিৰ ওপৰত Man Power indirectly depend কৰে। গতিকে মই বৰ্ত্তমান শিক্ষা পদ্ধতিৰ আশু পৰিবৰ্ত্তন আনিবলৈ যথোপযোগী ব্যৱস্থা লবলৈ চৰকাৰক দাবী জনালোঁ। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰনি মাৰিলোঁ।

Mr. Chairman : Order, order please. I have here the names of ten hon'ble members who will participate after 2 P. M. in this demand. We have time only up to 3-40

(Speech not corrected.)

P. M. I have chalked out a programme. Each member will be allowed 10 minutes so that at 3-40 P. M. or latest 3-50 P. M., the Chief-Minister will be able to reply. For the benefit of the hon'ble members, I will give the names who will participate after 2 P. M. :—

1. Shri Azizur Rahman.
2. Shri Hiralal Patwary.
3. Shri M. A. Musawir Choudhury.
4. Shri Narayan Bhuyan.
5. Shri Akram Hussain.
6. Shri Phani Bora.
7. Shri Govinda Bora.
8. Shri Kamini Sarma.
9. Shri Pitsing Konwar.
10. Maulana Abdul Jalil.

Adjournment

The House then adjourned for lunch till 2 P. M.

শ্ৰীআজিজুৰ ৰহমান চৌধুৰী : মাননীয় চেয়াৰমেন মহোদয়, শিক্ষা বিষয়ক মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে মই এই প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো--

(Voice—কি কৰিছে ? বিৰোধিতা কৰিছে নেকি ?)

চেয়াৰমেন মহোদয়, মই কথা কলে তেখেত সকলে ভাল নাপায় কাৰণ মই বৰপেটীয়া ভাষাত কওঁ। এই ভাষাটো তেখেত সকলে কিয় ভাল নাপায় মই বুজি নাপাও। আমাৰ সকলোৱেই জানে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, যি জন এজন বিদ্বান, জ্ঞানী দেৱতুল্য পুৰুষ আছিল—তেখেতে বৰপেটাত কিয় সত্ৰ স্থাপন কৰিছিল ? কাৰণ বৰপেটীয়া ভাষাটোত এটা ৰহস্য আছে, এই ভাষাটোত এটা মহত্ব আছে বৰপেটাত কব আহা, যোৱা, খোৱা-লোৱা ইত্যাদি কিন্তু আপোনাৰ আসামত কব খোৱাচোন, কোৱাচোন, আহাচোন এইদৰে—

(স্বৰ—মাননীয় সদস্য এজন বিচাৰ্চ স্কলাৰ নেকি ?)

এই বৰপেটীয়া ভাষাত বহুতো ভাষাৰ সংমিশ্ৰণ আছে। এই ভাষাটোৰ বহুৰকমৰ চৰ্চ্চা হৈ গৈছে।

মই আজি কি কাৰণে কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো ? এইটো দেখা গৈছে যে অসমত অসমীয়া ভাষা আছে, ইংৰাজী, হিন্দী, পাৰ্চী, আৰবী আদি সকলো ধৰণৰ ভাষাই আছে। এনেকৈ অৱশ্যে বহুত ভাষা থাকিলে বহুত কথাতে সুবিধা হয়। ভাষায় মানুহৰ জ্ঞানৰ ভঁৰাল পৰিপুষ্ট কৰে, মানুহক মনুষ্যত্ব দিয়ে। ভাষাৰ চৰ্চ্চা নকৰিলে কোনো ডাঙৰ কামকে কৰিব নোৱাৰে। যি মানুহে বহুত ভাষা জানে, আৰু সেই বিলাকৰ চৰ্চ্চা কৰে তেওঁ এজন মহাপুৰুষ। আজি অসম্ভৱ কি হৈছে আজি এজন মানুহে যদি কেৱল এটা ভাষাহে জানে

তেন্তে তেখেত পদে পদে বিপদত পৰা দেখা যায়। কাৰণ তেওঁ যিটো ভাষা জানে যাক কব সেই জনে সেইটো ভাষা নজনাটো অস্বাভাবিক নহয়। আৰবী শব্দ ব্যৱহাৰ কৰি যদি কোনো এজন অফিচাৰক কিবা কোৱা যায় তেনেহলে তেখেত সকলে একোকে বুজি নাপাব মাত্ৰ মুখ মেলি চাইহে থাকিব। এই মাদ্ৰাচাটো কি ? আৰবিক ও অন্য ভাষা শিক্ষাৰ কেন্দ্ৰ। এইবাৰ শিক্ষা বিভাগৰ ৪৫ লাখ টকা মাদ্ৰাচাৰ ঘৰ আদি মেৰামত কৰিবলৈ দিছিল তাৰে ৫০ হাজাৰ টকা বেলেগে ৰখা হৈছিল junior আৰু Senior মাদ্ৰাছা স্কুলৰ কাৰণে কিন্তু দুখৰ বিষয় এই টকাৰ এটি পইচাও মাদ্ৰাছাত দিয়া হোৱা নাই। বহুতে আৰবিক শব্দবিলাক শুনিলে দ্বিধা বোধ কৰে। প্ৰকৃততে সেইটো কৰিব নালাগে। ভাষা জানিলে মানুহৰ জ্ঞান বাঢ়ে। ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰৰ অস্তিত্ব থাকিব নোৱাৰে। তাৰ প্ৰমাণ, পাকিস্থানত আজি কি হৈছে ? গতিকে অকল ধৰ্মই এটা জাতিক ৰক্ষা কৰিব নোৱাৰে। ইয়াৰ কাৰণে লাগিব মানুহৰ বিদ্যা, মৰম আৰু প্ৰেম।

চেয়াৰমেন ডাঙৰীয়া, বিদ্যাই মানুহক মহান কৰে। গতিকে আমি কি ধৰণৰ বিদ্যা অৰ্জন কৰিব লাগে সেই বিষয়ে সজাগ হব লাগিব। আমি সকলোৱেই লৰা-ছোৱালীক অ আ পঢ়িবলৈ দিও। যদি এই স্তৰত শিক্ষকে উপযুক্ত শিক্ষা দান দিবলৈ অসমৰ্থ হয় তেনেহলে ভবিষ্যতৰ আশা ভৰসাৰ স্থল এই ল'ৰা-ছোৱালী বিলাকৰ অমঙ্গল হব। এই ধৰণৰ শিক্ষক হলে অকল প্ৰাইমাৰী স্কুলতেই নহয় তাৰ পিচৰ M. V. M. E. মাদ্ৰাচা, হাইস্কুল, কলেজ সকলো ক্ষেত্ৰতেই ব্যাধিয়ে দেখা দিব। এইটো কথা পৰিলক্ষিত হৈছে যে এই স্কুলসমূহ অনেক ক্ষেত্ৰত ৰাজনীতিৰ কেন্দ্ৰ হৈ পৰিছে গতিকে মই কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰো যে যিবিলাক শিক্ষকে ৰাজনীতিত যোগ দি নিজৰ দায়িত্ব পালনত বাধাৰ সৃষ্টি কৰিছে তেওঁলোকক চৰকাৰে শিক্ষক পদৰ পৰা অব্যাহতি দিব লাগে। নহলে শিক্ষা অনুষ্ঠান বিলাক কলুষিত হব আৰু তাৰ দ্বাৰাই প্ৰকৃত বিদ্যা আৰ্জনত বাধা পৰিব।

(সময়ৰ সংকেত)

এই কথাও মই জনাব খুজিছো যে স্কুলবিলাকত বহুতো বেমেজালি আছে আৰু সেই দৰেই কিছুমান সৰু সৰু দোষেই এই শিক্ষানুষ্ঠান বিলাকৰ জৰিয়তে সমগ্ৰ দেশৰে উন্নতিৰ পথত বাধা জন্মাইছে। শিক্ষা বিভাগত স্কুল পৰিদৰ্শক সকল আছে।

স্কুল Inspection ৰ ক্ষেত্ৰত Inspector বিলাক আছে, D. I. আছে কিন্তু তেওঁবিলাকে বছৰত কেইবাৰ স্কুল Inspection কৰে ? যদি দেশৰ শিক্ষা পদ্ধতি ঠিক নহয়, শিক্ষানুষ্ঠানবোৰ যদি ঠিকমতে নচলে, সময়ে সময়ে পৰিদৰ্শন নকৰে তেনেহলে শিক্ষা ব্যৱস্থা কেনে হব বা শিক্ষানুষ্ঠানৰ অৱস্থা কেনে হব সেইটো সহজে অনুমান কৰিব পাৰি। মই দেখিছো এখন Aided High School ত আঢ়ৈ হাজাৰ টকা চৰকাৰে দিছে, কিন্তু Managing Committe য়ে এই টকা কি কৰিলে তাৰ কোনো ভুৰ্‌ভা বাইজে নাপালে। এই বিলাক চাবলৈ শিক্ষা বিভাগত থকা Inspector D.I. আদি যাব লাগে। তেতিয়াহে

আচল কথাবিলাক ওলাই পৰিব আৰু দুৰ্নীতিবোৰ আঁতৰ হব। শিক্ষাই জীৱনৰ মানদণ্ড গঢ়ি তোলে। গতিকে যদি তেনে শিক্ষা পদ্ধতিতেই কেৰোণ থাকে তেনেহলে জীৱনৰ মানদণ্ড কেনেকৈ উন্নত হব বুজি নাপাওঁ। মই আৰু বেছি কবলৈ নোখোজো, যি শিক্ষাৰ বিষয়ে মহা মহা মনিষীয়ে যুগ যুগ কৈও শেষ কৰিব পৰা নাই সেই শিক্ষাৰ বিষয়ে আমি ২ বা ৫ মিনিটত কৈ শেষ কৰিব নোৱাৰে, তথাপিও শিক্ষানীতিলৈ যাতে দুৰ্নীতি আহিব নোৱাৰে তাৰ বাবে আমি চেষ্টা কৰা উচিত। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

শ্ৰীহীৰালাল পাটোৱাৰী: সভাপতি মহোদয়, শিক্ষা ক্ষেত্ৰত চৰকাৰে ২৫ কোটি টকা বিচাৰিছে। শিক্ষা ক্ষেত্ৰত গণতান্ত্ৰিক দেশত টকাৰ বিষয়ে আপত্তি নকৰো এই কাৰণেই যে গণতান্ত্ৰিক দেশত দুটা মূল কথা এটা হৈছে প্ৰতিৰক্ষা আৰু আনটো হৈছে শিক্ষা। কাৰণ সুষ্ঠ শিক্ষাই হৈছে সুষ্ঠ সমাজ তৈয়াৰ কৰিব পাৰে। সেই কাৰণ গঠনৰ ক্ষেত্ৰত ভাৰতবৰ্ষই ২৩ বছৰে যিবিলাক চিন্তা কৰিলে, পইচা খৰছ কৰিলে এই গোটেইখিনি পৰীক্ষা মূলক ভাৱে চলাইছে। গতিকে পৰীক্ষা মূলক ভাৱে শিক্ষা চলাটো অপৰাধ বুলি ভাৰতৰ পৰিকল্পনা আয়োগে কৈছে।

The State has no right to slaughter children on experimental basis like guinea pigs.

সেই কাৰণে মই অনুভৱ কৰিছো, অসমত পৰীক্ষামূলকভাৱে যদিও ২৬ হাজাৰ ৬২৬খন শিক্ষা অনুষ্ঠানত ১২ লাখ ৩৪ হাজাৰ ছাত্ৰ-ছাত্ৰী শিক্ষা লাভ কৰি আছে কিন্তু কি শিক্ষা লাভ কৰিছে সেইটো নেজানো। শেখ মজিবৰে শিক্ষা লৈছে নে ইয়াহিয়া খানৰেই শিক্ষা লৈছে সেই কব নোৱাৰো। এনেকুৱা Controversal শিক্ষা লাভ কৰি বা চলি থাকিলে সুষ্ঠ নীতি হব নোৱাৰে। আমাৰ বৰ্তমান শিক্ষাই বোকাহে দিলে। এই শিক্ষাৰ জন্ম হৈছিল ১৬০ বছৰ আগতে আৰু তেতিয়া শিক্ষাৰ উদ্দেশ্য বেলেগ আছিল আৰু এতিয়া বেলেগ হৈছে। শিক্ষা ক্ষেত্ৰত চৰকাৰে যথেষ্ট টকা খৰছ কৰিছে কিন্তু উদ্দেশ্য সাফল্য হোৱা নাই। এতিয়াৰ শিক্ষা হৈছে উদ্দেশ্যলৈ জ্ঞানলৈ নহয়। তাৰ উপৰি শিক্ষক নিয়োগৰ ক্ষেত্ৰত ৰেমেজালি ঘটাইছে। গতিকে শিক্ষক Appointment ৰ ক্ষেত্ৰতেই দুৰ্নীতি আহিছে। শিক্ষা ক্ষেত্ৰত দুৰ্নীতি বৰ ডাঙৰ অপৰাধ। তাৰ উপৰি এই যে Suiden নে কাগজ দিলে দুখীয়া লৰা ছোৱালীৰ প্ৰতি সহানুভূতি দেখুৱাই কিন্তু তাকো এইখিনি আহি পোৱাৰ লগে লগে বেপাৰীৰ হাতত পৰিল চুইদেন চৰকাৰে বিনামূলীয়া কাগজ দিছে আমাৰ দেশৰ গৰীৱ লৰা ছোৱালীৰ কাৰণে কিতাপ ছপাবৰ বাবে। কিন্তু আমাৰ চৰকাৰে সেই কাগজেৰে ব্যৱসায় কৰিছে আৰু ২/৩ জন ব্যৱসায়িক কাগজবোৰ দি দিছে। এইটো বৰ পৰিতাপৰ কথা চৰকাৰৰ শিক্ষা নীতি কি তাৰ একো পৰিষ্কাৰ নিৰ্দেশ পোৱা নাই। মই প্ৰায় ২০ বছৰ শিক্ষা বিভাগৰ লগত জড়িত। কিন্তু মই কব পৰা নাই চৰকাৰৰ শিক্ষা নীতি কি? চৰকাৰে টকা খৰচ

Speech not corrected.

কৰিছে টকা খৰচ কৰিলেই শিক্ষা নহয়। এই কথা মুখ্যমন্ত্ৰীয়ে শুনক। এতিয়া ছোৱালীৰ শিক্ষা free কৰিছে কাৰণ চৰ ছোৱালীক বৃত্তি দিছে। পিছে এই বৃত্তিৰ টকা অভিভাৱকে পাইছেনে? মই জনাত নাই পোৱা। টংলা হাইস্কুলৰ ছোৱালী বিলাকক বৃত্তি দিছে। কিন্তু বৃত্তিৰ টকা অভিভাৱকে নাই পোৱা।

(সময় সংকেট)

চাৰ, আজি শিক্ষাৰ ক্ষেত্ৰত টকা খৰচ কৰিছে। কিন্তু টকা খৰচ কৰিলেই Efficency নেবাঢ়ে integrity নেবাঢ়ে আৰু honesty নেবাঢ়ে। শিক্ষাৰ ক্ষেত্ৰত honesty integrity আৰু efficiency বঢ়াৰ কাৰণে চেষ্টা কৰিছেনে? এবাৰ মই গৈছিলো তিতাবৰ Training centre লৈ। তাত আলোচনা প্ৰসংগত কলে যে চৰকাৰে টকা খৰচ কৰিবলৈ দিছে খৰচ কৰিছো। এইদৰে কিয় টকা খৰচ কৰিবলৈ দিব লাগে? আজি হাইস্কুলবিলাক যেখে মখে খুলিবলৈ দি অনৰ্থক টকা খৰচ কৰিছে। কোনো ঠাইত ৯ বৰ্গ মাইলতে এটা হাইস্কুল আৰু কোনো ঠাইত ১৬০০ বৰ্গমাইলত এটা হাইস্কুল। (সময় সংকেট) হিন্দী শিক্ষাৰ কাৰণে টকা খৰচ কৰিছে। কিন্তু হিন্দী শিক্ষা হৈছেনে নাই সেইটো চাবলৈ আজি Inspector নাই। শিক্ষাৰ নামত কেৱল টকা খৰচ কৰিলেই নহয়।

প্ৰাথমিক শিক্ষা মাতৃ ভাষাৰ জৰিয়তে হব লাগে। এইটো কেন্দ্ৰীয় নীতি আৰু প্ৰাথমিক শিক্ষা Compulsory মাতৃ ভাষাক honour কৰিবৰ কাৰণেই এইটো কৰা নাই। কৰা হৈছে মাতৃ ভাষাৰ জৰিয়তে শিক্ষা দিলে সহজ হয় আৰু লগতে মাতৃ ভাষাৰ চৰ্চা কৰিলে তাৰ উন্নতি সাধন হয়। সেই কাৰণে মোৰ কথা হৈছে যে শিক্ষাৰ প্ৰকৃত ফল পাবলৈ হলে টকা খৰচ কৰাৰ লগতে চাব লাগে যে টকাৰ বিনিময়ত প্ৰকৃত শিক্ষা প্ৰচাৰ হৈছেনে নাই। ইয়াৰ কাৰণে পৰিবেশ সৃষ্টি কৰিব লাগিব। সেই পৰিবেশ সৃষ্টি কৰিবৰ কাৰণে হব লাগে কিতাপৰ প্ৰচুৰতা আৰু জ্ঞান, ঘনে ঘনে কিতাপ সলনি কৰিব নেলাগে আৰু চাব লাগে যাতে বৃত্তিৰ টকা ঠিক মতে Distribute হয়।

শ্ৰীকামাখ্যা ত্ৰিপাঠি: এতিয়ানো কি হয়?

শ্ৰীহীৰালাল পাটোৱাৰী: টকাবোৰ আত্মসাৎ কৰে। টংলা স্কুলত ৬০ জনী ছোৱালীয়ে বৃত্তি পাইছে কিন্তু অভিভাৱকে টকা পোৱা নাই। সেইকাৰণে কৈছো টকাৰ খৰচ দেখুৱালেই নহয়। কামত লাগিব লাগে। ইয়াকে কৈ সামৰনি মাৰিছো।

শ্ৰীকামিনী মোহন শৰ্মা: মাননীয় চেয়াৰমেন মহোদয়, মই এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ কব বিচাৰিছো। শিক্ষা আমাৰ জাতিৰ মেৰুদণ্ড—এটা জাতিক শক্তিশালী কৰি তুলিবলৈ হলে, এটা জাতিক সু-সভ্য কৰি তুলিবলৈ হলে শিক্ষাই মূল সম্পদ। শিক্ষাই আমাৰ উঠি অহা লৰা-ছোৱালীবিলাকক গঢ় দিব, দেশক স্বাৱলম্বী কৰি তুলি উন্নতিৰ শীৰ্ষস্থানলৈ আগবঢ়াই লৈ যোৱাৰ ক্ষমতা আহৰণ কৰিব। যি জাতিৰ সুস্থ শিক্ষা নাথাকিব সেই জাতি কেতিয়াও স্বাৱলম্বী হব নোৱাৰে সুস্থ হব নোৱাৰে। বৰ্ত্তমান আমাৰ ৰাজ্যত আমি কোনো ৰকমৰ সুস্থ আচনি লোৱা দেখিবলৈ পোৱা নাই। কি ধৰণে আচনিললে আমাৰ দেশত

শিক্ষাৰ সম্প্ৰসাৰণ হব সেই কথাটো আমাৰ চৰকাৰে এতিয়ালৈকে নিৰ্দ্ধাৰণ কৰিব পৰা নাই। কণ কণ লৰা-ছোৱালীক শিক্ষা দিবৰ কাৰণে বুনিয়াদী পদ্ধতিত কিছুমান স্কুল স্থাপন কৰা হৈছে। কিন্তু কিছুমান স্কুলৰ ক্ষেত্ৰত এই নীতি পালন কৰা হোৱা নাই গতিকে দেখা যায় শিক্ষা দানৰ ক্ষেত্ৰত চৰকাৰে কোনো সুচিন্তিত আচনি গ্ৰহণ কৰিব পৰা নাই। চেয়াৰমেন মহোদয়, আপুনি দেখিলে আচৰিত হব আমাৰ গাওঁ অঞ্চলৰ স্কুলৰ অৱস্থা কেনে শোচনীয়। বহু প্ৰাইমাৰী স্কুলৰে ঘৰ-দুৱাৰ ভাঙি-চিঙি জৰাজীৰ্ণ অৱস্থাপ্ৰাপ্ত হৈছে। এই স্কুলবিলাক চৰকাৰৰ সম্পূৰ্ণ আয়ত্বাধীনলৈ আনিব লাগে। প্ৰাইমাৰী শিক্ষাৰ সম্প্ৰসাৰণ কৰিবলৈ হলে চৰকাৰে ঘৰ-দুৱাৰৰ পৰা আৰম্ভ কৰি শিক্ষাদানৰ যাৱতীয় সা-সজুলিৰ যোগান ধৰিব লাগিব। ইয়াৰোপৰি দেখা যায় কোনো কোনো স্কুলত বিশেষকৈ জেঠ-আহাৰ মাহত ছাত্ৰ-ছাত্ৰীয়ে স্কুলত খোৱা পানীৰ নলী-নাদ আদি নথকাৰ কাৰণে পানীৰ অভাৱ হোৱাৰ কাৰণে নৰ্দমাৰ পানী খাব লগা হয়। গতিকে প্ৰত্যেক স্কুলতে যাতে একোটা নলী নাদ কৰি শিশু সকলৰ পানী খোৱাৰ ব্যৱস্থা কৰি দিয়ে তাৰ কাৰণে অনুৰোধ কৰিলো। ইয়াৰ পাচত মই কব খুজিছো যে চৰকাৰী হাইস্কুল আৰু সাহায্যপ্ৰাপ্ত হাইস্কুল বিলাকৰো পৰিবৰ্ত্তন সাধন কৰি সমপৰ্য্যায়লৈ আনিব লাগে আৰু এখন দেশৰ শিক্ষা ব্যৱস্থাটো একে হোৱা বাঞ্চনীয়। একেখন দেশতে কিছুমান শিক্ষকে ভাল সুবিধা পাব আৰু কিছুমানে নাপাব এইটো বৰ দুখজনক কথা। কলেজ সম্পৰ্কত মই এইটোৱেই কব খোজো যে ইতিমধ্যে আমাৰ দেশত যিবিলাক স্কুল স্থাপন কৰা হৈছে সেই সকলোবোৰ কলেজে Deficit grant পোৱা নাই, গতিকে Deficit grant যাতে সকলোৱে পায় তাৰ কাৰণে দৃষ্টি দিব লাগে। ইয়াৰোপৰি অসমীয়া ভাষা যেতিয়া ৰাজ্যিক ভাষা হিচাবে পৰিগণিত হৈছে তেতিয়া সকলো কলেজতে সংস্কৃত শিক্ষাৰো প্ৰয়োজন, কাৰণ সংস্কৃত নহলে অসমীয়া ভাষাৰ উন্নতি হোৱাটো অসম্ভৱ। এই বিষয়ে চৰকাৰে চোকা দৃষ্টি দিব বুলি মই দাবী জনাইছো। ইয়াৰ পাচত আমাৰ ৰাজ্যত কৃষি-বিশ্ববিদ্যালয় হৈছে কৃষি-বিশ্ববিদ্যালয় ওপৰত হৈ থাকিলেই নহব। এই বিশ্ববিদ্যালয়ৰ লগত সামঞ্জস্য ৰাখি বিভিন্ন স্কুলতো কৃষিৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কিছুমান হাইস্কুলত উপযুক্ত পৰিমাণে মাটি আছে সেই স্কুলবিলাকত কৃষি বিষয়টো সুমুৱাই দিব লাগে। এই ব্যৱস্থা M.E. আৰু M.V. আদি স্কুলতো কৰিব লাগে। কিয়নো সৰুৰেপৰা স্কুলত কৃষি বিষয়ে জ্ঞান লাভ কৰিলে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ঘৰত বা অঞ্চলত খেতি কৰিবলৈ হেলা নকৰিব আৰু ফলত দেশেও উন্নতি পথত আগবাঢ়িব পাৰিব। ইয়াৰ পিছত মই এইটোৱে কব বিচাৰিছো যে যোৱাবাৰ আমাৰ এখন M. E. আৰু এখন High School অক grant দিয়াৰ কথা আছিল—কিন্তু দেখা গল High School খনে চাৰি হাজাৰ টকা পালে আৰু সুতাৰ গাওঁ এম, ই স্কুল খন এই লিষ্টত ১ হিচাবে দিছিলে এই M. E. School খনে একো grant নাপালে। গতিকে মই শিক্ষা মন্ত্ৰীক জনাব খুজিছো যে grant আদি নাপালে আমাৰ দুখীয়া ৰাইজে কেনেকৈ School চলাব। সেই টকা কি হ'ল, কলৈ গ'ল আমাক জনাব লাগে। কাৰণ এই গৰীব জনসাধাৰণৰ স্কুলবিলাকক যাতে

প্ৰবঞ্চনা নকৰে তাৰ কাৰণে মই চৰকাৰৰ ওচৰত আবেদন কৰিছো। High School বা M. E. School অত যি grant দিয়ে সেই grant আমাক টকা হিচাবে দিলে আমি যথাযথ ভাৱে কাম কৰিব পাৰিম। এতিয়া মই প্ৰত্যেক স্কুলতে কেনে ধৰণে grant দিব লাগে তাৰ হিচাব দিছো। এই অৱহেলাৰ কাৰণে যাতে আমাৰ গৰীব জনসাধাৰণৰ স্কুলবিলাকক বঞ্চিত কৰা নহয় তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই কবলৈ বিচাৰিছো যে অনুদানবিলাক grant হিচাবে দিয়াতকৈ সেইবিলাক টকা হিচাবে দিলে সুস্থ ভাৱে বিতৰণ কৰিব পৰা যায় এবাৰ টকা হিচাবে দিয়াত সেইবোৰ ভালভাৱে বিতৰণ হৈছিল। সেইকাৰণে মই শিক্ষা মন্ত্ৰীক অনুৰোধ জনাইছো যেন বানপানী প্ৰপ্ৰীড়িত অঞ্চলৰ স্কুলবিলাকত টকা হিচাবে অনুদান দিয়ে। এটা কথা কৈ মই শেষ কৰিম, Tribal এলেকাত বা Tribal ছাত্ৰ থকা স্কুলবিলাকত যি কেইজন Tribal শিক্ষক নিয়োগ কৰা হৈছে সেই সকলে স্বীকৃতি পোৱা নাই। মোৰ বৰ্ডীয়া সমষ্টিতে কোনো কোনো অঞ্চলৰ স্কুলত বড়ো ভাষাত শিক্ষা দিবৰ কাৰণে শিক্ষক নিয়োগ কৰা হৈছে কিন্তু তেওঁলোকে দৰ্মহা পোৱা নাই। আমাৰ মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছিল যে যিবিলাক Venture স্কুল আছে সেই বিলাক লোৱা হব সেইটো কাম ভাল পাইছো আৰু ইতিমধ্যে যিবিলাক Venture স্কুল লবলৈ বাকী আছে সেইবিলাকো যে অনতিপলমে গৈ seal কৰি দিব লাগে। যিবিলাক স্কুল ইতিমধ্যে কৈছে সেই বিলাক স্কুলে যাতে grant পায় ইয়াকে অনুৰোধ কৰি মই সামৰণি মাৰিলো।

শ্ৰীনাৰায়ণ চন্দ্ৰ ভূঞা : অধ্যক্ষ মহোদয়, আমাৰ দেশত যিমান বিলাক সমস্যা আছে তাৰ ভিতৰত নিৰমুৱা সমস্যাটো আটাইতকৈ ডাঙৰ আৰু এই নিবনুৱা সমস্যাটোত আমি বিশেষ আগবাঢ়িব পৰা নাই। ইয়াৰ ঘাই কাৰণ হ'ল আমাৰ বৰ্ত্তমানৰ শিক্ষা পদ্ধতি। আমাৰ প্ৰাইমাৰী শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা নাই। দেশৰ কোনো কোনো অঞ্চলত ৩ ফাৰ্লং দূৰে দূৰে স্কুল আছে অথচ কোনো কোনো অঞ্চলত ৩/৪ মাইল দূৰত্বতো স্কুল নাই। আমি যদি শিক্ষাৰ উন্নতি বিচাৰো তেনেহলে প্ৰাইমাৰীবোৰতে বিশেষ গুৰুত্ব দিব লাগিব। প্ৰাইমাৰী school ৰ পৰা লৰা-ছোৱালী ওলাই আহি যেতিয়া M. E. বা High School পায়হি তেওঁলোকে অংক, ইংৰাজী ইত্যাদিত বিশেষ ভাল কৰিব নোৱাৰে আৰু শেষতগৈ বিশ্ববিদ্যালয় স্তৰত অকৃতকাৰ্য্য হয়গৈ। জামুগুৰি স্কুলৰপৰা ১৫০ ২০০ টা লৰাই বৃত্তি পাইছে আৰু এইবিলাক লৰাই বিভিন্ন বিষয়ত কৃতিত্ব লাভ কৰিব পাৰিছে কিন্তু যিবিলাক প্ৰাইমাৰী স্কুলৰ লৰাছোৱালীক শিক্ষাৰ প্ৰতি মনোযোগ দিয়া নহয় সিহঁতে ভৱিষ্যতে বিশেষ উন্নতি কৰিব নোৱাৰে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যাতে প্ৰাইমাৰী শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়ে।

শিক্ষা বিষয়ত চৰকাৰে যথেষ্ট টকা খৰচ কৰিছে কিন্তু সেই হিচাবে সুপৰিকল্পিত আঁচনি নাই, এজনীয়া শিক্ষকৰ স্কুলবিলাক হয়তো উঠাই দিব লাগে নহয় শিক্ষকৰ সংখ্যা বঢ়াব লাগে। এনেকুৱা স্কুলৰ শিক্ষক মাহে কমেও এদিন absent থাকিলে স্কুলেই বন্ধ থাকে।

Speech not corrected

M. E. School বিলাকত crafts ৰ শিক্ষা দিবৰ কাৰণে ডেৰলাখ ২ লাখ টকাৰ সা-সজুলী কিনিলে সেইবিলাক বাকচতে পৰি থাকে আৰু মামৰে খায়। তাৰ কতৃপক্ষই জনাইছে যে হয় সেইবিলাক ঘিৰাই দিয়ক নহয় সেইবিলাক ব্যৱহাৰ কৰাৰ কাৰণে শিক্ষক বা অন্যান্য সা-সুবিধাবিলাক দিব লাগে।

চৰকাৰে এনে কিছুমান কাম কৰিছে যত টকা খৰচ হয় কিন্তু কাম নহয়। আমাৰ শিক্ষা ব্যৱস্থাটো এনেকুৱা হব লাগে যি শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল স্বাবলম্বী হব পাৰে। আমাৰ চকু কেৱল বিশ্ববিদ্যালয়ৰ ওপৰতহে। অসমত তিনি খন বিশ্ববিদ্যালয় হল কিন্তু তাত যিবিলাক কেৰোণ লাগিছে তাৰ কাৰণে শিক্ষাত বাধাৰ সৃষ্টি হৈছে। সেইকাৰণে এইবিলাক কেৰোণৰ প্ৰতি চৰকাৰে বিশেষ ভাবে দৃষ্টি দিব লাগে।

সদৌ শেষত আমাৰ শিক্ষা পদ্ধতিৰ দ্বাৰা যাতে আমাৰ ছাত্ৰ-ছাত্ৰীসকল স্বাবলম্বী হব পাৰে সেইটোলৈ লক্ষ্য কৰিব লাগে আৰু প্ৰয়োজন হলে পাঠ্য-ক্ৰমৰো আমোল পৰিবৰ্তন হব লাগে। ইমানকে কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

মিষ্টাৰ চেয়াৰমেন : শ্ৰীফনী বৰা আপোনাৰ সময় ১০ মিনিট।

শ্ৰীফণী বৰা : সভাপতি মহোদয়, এই ১০ মিনিটৰ ভিতৰত শিক্ষা সম্পৰ্কীয় মোৰ যি সমালোচনা এই গোটেইখিনি ডাঙি ধৰাটো টান হব। শিক্ষা সম্পৰ্কীয় আলোচনাৰ যি পৰিসৰ সেই পৰিষৰৰ তুলনাত মোৰ সমালোচনাৰ পৰিসৰ তেনেই কম হব।

মোৰ বোধেৰে আমাৰ শিক্ষা সম্পৰ্কীয় যিটো মূল কথা সেই মূল কথাটোকে থিক কৰা হোৱা নাই অসমক কি লাগে, আমি কি বিচাৰো? এই বিষয়ে আমি এতিয়াও ঠিক কৰিব পৰা নাই এই মূল কথাটোকে ঠিক কৰিব নোৱাৰিলে আমাৰ যিবিলাক বাকী কথা আছে সেইবিলাক কেতিয়াও ঠিক নহব। যি কোনো এখন দেশৰ শিক্ষা ব্যৱস্থাটোৰ এটা জাতীয় লক্ষ্য থকা উচিত। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাৰ জাতীয় লক্ষ্য কি? এই জাতীয় ব্যৱস্থাৰ লগত সামঞ্জস্য ৰাখি আমাৰ শিক্ষা সংস্কৃতিৰ এটা আমোল পৰিবৰ্তন হব লাগে। আমাৰ লক্ষ্য সম্পৰ্কে এটা পৰিষ্কাৰ নিৰ্দেশ থাকিব লাগে। কিন্তু মোৰ ধাৰণা মতে তেনে কোনো নিৰ্দেশ নাই। সেই কাৰণেই এই বিষয়ত অৰ তৰ পৰা অসপ অচৰপ আনি Experimental basis ত চলাই আছে ইয়াৰ ফলত আমি প্ৰকৃত শিক্ষাৰ যি ফলাফল পাব লাগে সেইটো পোৱাটো সম্ভৱপৰ নহয় আৰু সেইটো আশা কৰাটোও বাতুলতাহে মাথোন। মই শিক্ষাবিদ নহয়। শিক্ষা কি হব লাগে কি হব নালাগে এই বিষয়ে বহুতে বহু কথা কলেও সেইবিলাক মূল্যৱান বুলি মই নাভাবো। বিধান সভাৰ সদস্য হিচাপে, ৰাজনৈতিক প্ৰতিনিধি হিচাপে আমাৰ কৰ্তব্য আমাৰ দেশখনক আমি কোন গতিত আগবঢ়াই নিব খুজিছো? প্ৰতিকে যিসকল শিক্ষা বিশেষজ্ঞ তেওঁলোকৰ ওপৰত দায়িত্ব অৰ্পণ কৰিব লাগে আৰু সেই মতে আমাৰ কি প্ৰয়োজন হয় সেইটো বিচাৰক যদি আমাৰ বৈজ্ঞানিক

Speech not corrected

সমাজবাদী সমাজ এখন গঢ়াই লক্ষ্য হয় তেতিয়া হলে সেই বৈজ্ঞানিক সমাজবাদী সমাজৰ মূল খুটা হব আধুনিক ধৰণৰ শিল্প, কৃষি আৰু এই উদ্দেশ্য সন্মুখত ৰাখি শিক্ষাৰ প্ৰাথমিক স্তৰৰ পৰাই এই উদ্দেশ্যৰেই গঢ়ি তুলিব লাগিব আৰু শিক্ষাৰ আদৰ্শ আৰু পদ্ধতি অনুসৰণ কৰিব লাগিব। কিন্তু দুখৰ বিষয় সেইটো এতিয়াও হোৱা নাই। এতিয়া কৰা ধৰণে Basic System ত শিক্ষা আৰম্ভ হবলৈ নাই পুৰণা পদ্ধতিৰেই চলি থাকিব—নাইবা ইংলিচ পেটাৰ্ণত কিন্দাৰ গাৰলৈন পদ্ধতিত চলিব। সেইটো আমি কব নোৱাৰো আৰু আমাৰ শিক্ষক সকল বা শিক্ষাবিদ সকলোকো এই বিষয়ে নিৰ্দেশ দিয়া হোৱা নাই। Secondary education ও experimental basis ত চলি আছে। কোনোৱে কয় ১২ বছৰ হব লাগে। আমি কোনটো বিচাৰিছো Science নে Arts? কোনটোৰ ওপৰত আমি জোৰ দিব খুজিছো। আগতে ইংৰাজ সকলক কেৰাণিৰ প্ৰয়োজন আছিল বুলি কেৰাণিৰ শিক্ষা দিছিল। আমাক এতিয়া বিজ্ঞান, ইঞ্জিনিয়াৰ, কৃষিবিদ আদি সকলো শ্ৰেণীৰেই মানুহ লাগে। কিন্তু কেনি পৰিকল্পনাত কিনো কৰিব সেই সম্পৰ্কত আমাৰ সামাজিক অৱস্থাৰ লগত খাপ খোৱাকৈ কৰি লব পৰা নাই। অসমৰ বৰ্ত্তমান বাস্তৱ অৱস্থালৈ লক্ষ্য ৰাখি কোন ধৰণৰ শিক্ষা আমাৰ কেনে সেই কথাত জোৰ দিব লাগে। গতিকে সেই নিৰ্দিষ্ট লাইনৰ অনুষ্ঠান গঢ়ি বিশেষ বিশেষ শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে। এই মৰ্মে শিক্ষাবিদ সকলক দায়িত্ব দি তেওঁলোকক গৱেষণা কৰি পৰামৰ্শ আগ-বঢ়াবলৈ দিব লাগে। এইদৰে যদি কৰা যায় তেনেহলে অদূৰ ভৱিষ্যতে এই পদ্ধতিৰ এটা আমোল পৰিবৰ্ত্তন কৰিব পৰা হব। তাৰ পাচত আমাৰ জন-সাধাৰণৰ নিৰক্ষৰ অৱস্থাটো দূৰ কৰা একান্ত দৰ্কাৰ আৰু তাৰ লগে লগে Specialized education কেনেকৈ দিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। সমাজৰ দুৰ্বল সংস্কৃতি বিলাক দূৰ কৰিব নোৱাৰিলে, নিৰক্ষৰতা সম্পূৰ্ণ দূৰ কৰিব নোৱাৰিলে সমাজখনক প্ৰগতিশীল কৰা টান হব। এইটো পৰিলক্ষিত হৈছে যে যোৱা ১০ বছৰত ৰাজ্যখনৰ শিক্ষিতৰ পৰিমাণ মাত্ৰ ৩·৪% এইটো বৰ মন্থৰ গতি। এইদৰে হলে অহা বছৰটো সম্পূৰ্ণৰূপে নিৰক্ষৰতা দূৰ কৰিব পৰা নহব আৰু সামাজিক উন্নয়ণৰ মানদণ্ড উন্নতি কৰিব পৰা নহব। ইয়াৰ কাৰণ কি? ইয়াৰ লগত অৰ্থৰ সম্বন্ধ আছে। কিন্তু অকল অৰ্থ ব্যয় কৰিলেই আমাৰ লক্ষ্যত উপনীত হব নোৱাৰিম যদি এই অৰ্থ ব্যয় যথাযথভাৱে কৰা নহয়। অৰ্থৰ অভাৱ বুলি আমি নিৰক্ষৰ জনসাধাৰণক সদায় অন্ধকাৰৰ মাজত আবদ্ধ কৰি ৰাখিমনে? মই ভাবো শিক্ষা সংক্ৰান্তৰ বেপাৰত ভাবত চৰকাৰে দৃষ্টি দিয়া প্ৰয়োজন। এইটো পৰিলক্ষিত হৈছে যে আমি জাতীয় নীতি পৰিবৰ্ত্তন কৰিব খুজিছো। বৈদেশিক নীতিৰ পৰিবৰ্তন হৈছে; বেংক ৰাষ্ট্ৰীয় কৰণ কৰা হৈছে। উপাৰ্জন যেতিয়া ৰাষ্ট্ৰৰ হাতলৈ অনাৰ ব্যৱস্থা কৰা হৈছে তেনেস্থলত শিক্ষা ব্যৱস্থা সম্পৰ্কীয় নীতি নতুন দৃষ্টিভংগীৰে এই পৰিবৰ্তন সাধন কৰিবলৈ প্ৰগতিবাদী বাজেট ৰচনা কৰিব লাগিব। তেতিয়া হলেহে আমাৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক ক্ষেত্ৰ উন্নত হব। নিৰক্ষৰ দূৰ হব। মই কৈছোৱেই

যে সময়ৰ অভাৱ। গতিকে মই কেইটামান কথাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো। আমাৰ বৰ্তমান প্ৰচলিত শিক্ষানুষ্ঠান বিলাকৰ কি হৈছে এই ক্ষেত্ৰত দুটা দিশ দেখা পাও। এটা হৈছে management আৰু আনটো হৈছে শিক্ষা দান। manegement ৰ ফালৰ পৰা মেনেজিং কমিটি আৰু গৰ্ভানিং বডি এই দুয়োটাৰ ওপৰতেই ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ কৰা দেখা গৈছে। মেনেজিং কমিটি বিলাকৰ কাজিয়া ভাঙোতেই ইনস্পেক্টৰ সকলৰ অধিক সময় যায় আৰু বহুতো ক্ষেত্ৰত ইনস্পেক্টৰ সকলেও ৰাজনীতিত জড়িত হৈ এইশিক্ষানুষ্ঠান বিলাক ধ্বংস-মুখী কৰে। ৰাজনীতি বোলোতে মই পাৰলীয়া ৰাজনীতিৰ কথাহে কৈছো। ৯৯.৫% কংগ্ৰেচী দলৰ লোকেই এই মেনেজিং কমিটি বিলাক চলায়। এই দলৰ ভিতৰতেই দুই তিনিটা পাৰ্টিৰ হৈ তুমূল যুদ্ধ চলোৱাৰ ফলত ধ্বংসাভি-মুখী হৈছে। এই ক্ষেত্ৰত কৈছো যে দুই তিনিটা party থাকিলে তাৰ ভিতৰতে তুমুল যুদ্ধ হয় আৰু তাৰ ফলত শিক্ষা বিভাগৰ এই অফিচাৰ সকলৰ কাজিয়াৰ ফলতেই ভাল স্কুলসমূহো ধ্বংসমুখী হব। গতিকে এই ধ্বংসমুখী স্কুলসমূহক উদ্ধাৰ কৰিবলৈ বা পুনৰ-গঠন কৰিবৰ কাৰণে আত্ম নিয়োগ কৰিব লাগে । আমি কলেজ বিলাকত কলেজ মেনেজিং কমিটি আজি দেখিছো আনকি university বা Government Basic পৰ্য্যায়তে আমি এইবোৰ দেখিছো। এই বিলাকৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিব লাগে।

ছাত্ৰ, শিক্ষক, শিক্ষাবিদ আৰু এটা percent guardia ক লৈ এটা managing committee কৰি দিব লাগে যাতে School, University, College সকলোৰে পৰিচালনাত ই অংশ গ্ৰহণ কৰিব পাৰে। কাৰণ শিক্ষক বা ছাত্ৰ সকলৰ প্ৰতিনিধিত্বক বাদ দি সুসম্পন্ন শিক্ষা পদ্ধতি এটা চলোৱা সম্ভৱপৰ নহয়। গতিকে এই শিক্ষক আৰু ছাত্ৰৰ প্ৰতিনিধিত্ব এই Committee বিলাকত বৰ প্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ ফলত শিক্ষা ব্যৱস্থাৰ অধোগতি নহৈ উন্নতি হব। এইটো মই দাঠি কব নোৱাৰো।

দ্বিতীয়তে সভাপতি মহোদয়, প্ৰত্যেক্যন শিক্ষকৰ মিটিং বা অফিচাৰৰ মিটিংত এইটো কৈ আহিছো যে আমাৰ S. I, D. I, কে আদি কৰি Inspection staff ৰ যিবিলাক আছে তেওঁবিলাকে স্কুলবিলাক যথাসময়ত পৰিদৰ্শন কৰাটোকে বাদ দিলে। ফলত একোজন head master এজন মাহৰ মূৰত দুই তিনিদিন হে স্কুললৈ আহে। গতিকে কোন শিক্ষকে কি subject পঢ়াব পাৰিলে নোৱাৰে তাৰ কোনো কানসাৰ নকৰে। এইবিলাক কথাত যদি চকু নিদিয়ে তেন্তে-হলে আমাৰ শিক্ষাৰ মানদণ্ড নাশ হৈ যাব।

আমাৰ আৰু এটা কথা বিশেষকৈ কব লগা হৈছে সেইটো হৈছে যে এদিন প্ৰাইমেৰী স্কুলৰ এটা মুছলমান লৰাই এটা গল্প অৰ্থাৎ ঐতিহাসিক গল্প পঢ়ি আছিল—তাত লিখা আছিল যে মুছলমানে অসম আক্ৰমণ কৰোতে অসমৰ সৈন্যবাহিনীয়ে মুছলমানবিলাকক কচুকটা দিয়ে। তেতিয়া লৰাটোৱে প্ৰশ্ন কৰিছে যে সি মুছলমান নেকি ? ইত্যাদি। এইটো মোগলে আক্ৰমণ কৰিছিল বুলি লিখকৰ তাত আপত্তি নাই। কিন্তু তাত লিখা আছিল মুছল-

মানে অনুক্ৰমণ কৰিছিল আৰু মুছলমানক আহোমে পাই কুচুকটা দিলে। এনেকুৱা বিলাক কথা যদি এতিয়াৰ পৰাই আমাৰ কন-কন ল'ৰা-ছোৱালী বিলাকে পঢ়িব লগা হয় তেতিয়াহলে—ই National Integrity নষ্ট কৰিব। হয়তো কোনে জানে আজি যি বঙালী অসমীয়াৰ মাজত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে—তাৰ কাৰণো এনেকুৱা বিলাক কথাই। গতিকে এই বিলাক কথাৰ ওপৰত চকু দিবৰ হ'ল। এইবিলাক পাঠ্যক্ৰমৰ কথা কলো। সকলোৱে পৰাই ল'ৰা-ছোৱালীয়ে যিবিলাক পাঠ্য পুথি পঢ়ে সেইবিলাকত যাতে আদৰ্শৰ কথা থাকিব পাৰে যি আদৰ্শ সকলো জাতি, সকলো ধৰ্ম আৰু সকলো সম্প্ৰদায়ৰে গ্ৰহণীয় ঐক্য আৰু সংহতিৰ আদৰ্শ হব পাৰে।

Mr. Speaker — ১৪ মিনিট হ'ল।

শ্ৰীফণী বৰা—আৰু মই দুই এটা কৈয়ে শেষ কৰিম।

নিয়োগৰ সম্পৰ্কত মই কওঁ যে আমাৰ শিক্ষাবৰ্ত্ত আছে। তাত Policy ঠিক কৰিছে। এই Policy বিলাক সমৰ্থন কৰিছো। সকলো বিলাক ঠাইতে তেনেকুৱা Policy থকা দৰ্কাৰ। তেনেকৈয়ে আমাৰ যিবিলাক Primary School আছে নিয়োগৰ ক্ষেত্ৰতো Seniority list ৰ মতে automatically appointment পাই থাকে তাৰ ব্যৱস্থা হব লাগে। Seniority ৰ এখন list থাকিব আৰু তাৰ পৰাই নিয়োগ হব। কাকো ঘোঁচ-ঘাচ দিয়াৰ প্ৰয়োজন নাই তাৰোপৰি একো একোটা Principle কৰিলে ভাল হয় যিবিলাক B.T. পাচ কৰা হলে, Matriculate আদি কিমান আছে তেওঁলোকৰ যদি কাৰোবাৰ কিবা অভিজ্ঞতা আছে তেন্তে তেনেকুৱা অভিজ্ঞতা থকা মানুহক কেৱল অভিজ্ঞতাৰ বাবেৰ পৰাই যেন নিয়োগ কৰি গৈ থাকে। যিবিলাক পুৰণা মানুহ আজি ভালেমান দিনৰ আগতে পাচ কৰি আছে তেওঁলোকো এইবিলাক Principle ৰ দ্বাৰা উপকৃত হব বুলি মই ভাবো। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আমাৰ adhoc grant পোৱা School ৰ শিক্ষকে কেতিয়াবা দৰ্মহা নোহোৱাকৈ কটাব লগা হয়। এই discrimination টো দূৰ কৰিব লাগে আৰু তেওঁলোকে D. A. পাব লাগে। Das commission ৰ মতে এই বিলাক সুবিধা পাব লাগে। Nationalized কৰিব নোৱাৰিলেও চৰকাৰে এই বিষয়ে নজৰ ৰাখিব লাগে।

শেষত আৰু এটা কথা হ'ল যে Primary School ৰ শিক্ষক সকলক Official under the Education Board বুলি গণ্য কৰিব লাগে। লগতে মই এইটোও কওঁ যে যিখিনি সুবিধা তেওঁলোকে পাব লাগে তাকো সোনকালে কৰি দিব লাগে যাতে তেওঁলোকে Politics বন্ধ কৰে। তেওঁলোকক ৰাজনীতিৰ পৰা আঁতৰ কৰাৰ ব্যৱস্থা কৰক। এই শিক্ষক সকলক Board ৰ official বুলি গণ্য কৰিলেই সকলো anomally নাইকীয়া হৈ যাব আৰু এটা কথা যে M. V. School ৰ শিক্ষক সকলক ১৯৬৭ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৬৮ চনৰ চেপ্তেম্বৰলৈকে দিব লগা পয়চাখিনি দি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীএ, এন্ আক্ৰাম হুছেইন – মাননীয় সভাপতি ডাঙৰীয়া, শিক্ষাৰ বিষয়ে উঠা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব বিচাৰিছো যে এই বিষয়ে আজি বহুতো আলোচনা বিলোচনা হৈ গৈছে। আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই মুছলমান পাঠ্যপুথি সম্পৰ্কে মোৰ অন্তৰত এটা কথা কৈছিল আৰু সেই কথাটোৱে বৰকৈ লাগি আছে।

যি নহওক আমাৰ বৰ্ত্তমান শিক্ষানীতি এনেকুৱা হব লাগে যে যি শিক্ষা-নীতিয়ে আমাৰ সমস্ত সম্প্ৰদায়ৰ বৈষম্যমূলক মনোবৃত্তি দূৰ কৰি প্ৰত্যেকৰে সম্পদ বৃদ্ধি আদি সকলো ব্যৱস্থা ৰক্ষা হব লাগে। কিন্তু বৃটিছৰ দিনৰ পৰাই শিক্ষানীতিত যি devide and rule চলি আছে, সেই শিক্ষানীতিয়ে ভাৰতবৰ্ষত আজি আমাৰ ছাত্ৰ সমাজক অস্থিৰ কৰি দিছে। এইটোৱে আমাৰ ছাত্ৰ সমাজক সতৰ্ক কৰি দিয়াৰ উপৰিও চৰকাৰকো সতৰ্ক কৰি দিছে।

লগতে মই এই কথাও কওঁ—আমাৰ যিবিলাক ভেন্‌চাৰ স্কুল আছে এই ভেনচাৰ স্কুল বিলাক চৰকাৰে লোৱা হব বুলি সিদিনা মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল। সেইকাৰণে মই আজি দাবী কৰিছোঁ যে অসম চৰকাৰ অৰ্থনৈতিক দিশত পিচপৰা তেনেকুৱা এখন ৰাজ্যত আমাৰ ছাত্ৰসকলৰ সু-শিক্ষাৰ বাবে প্ৰৱেশিকালৈকে বিনামূলীয়া শিক্ষা হব লাগে আৰু এল, পি স্কুলবিলাকত সৰু সৰু লৰা-ছোৱালী বিলাকৰ কাৰণে বিনামূলীয়াকৈ চৰকাৰে পুষ্টিকৰ খাদ্যৰ যোগান ধৰিব লাগে। তাৰোপৰি অসমৰ বিভিন্ন অঞ্চলত যত দুখীয়া খেতিয়কৰ লৰা-ছোৱালী বিলাকে পঢ়ে, তেওঁলোকৰ পঢ়া-শুনাৰ সুবিধাৰ বাবে বিনামূলীয়াকৈ পাঠ্যপুথি আৰু পোচাক আদিৰ ব্যৱস্থা কৰি দিব লাগে।

শ্ৰীকামাখ্যা ত্ৰিপাঠী—এইবিলাক সুবিধা ছাত্ৰক দিব লাগে নে শিক্ষকক দিব লাগে ?

শ্ৰীআক্ৰাম হুচেইন—এল পি স্কুলৰ ছাত্ৰবিলাকক দিব লাগে আৰু আমাৰ প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ অৱস্থাও পানীত হাঁহ নচৰা অৱস্থা। তেওঁলোকে মাহেকত মাত্ৰ ১৩০/১৫০ টকা দৰ্মহা প্ৰায়; তাৰে তেওঁলোকে ঘৰখন চলোৱাৰ উপৰিও নিজৰ লৰা-ছোৱালীৰ পঢ়া-শুণাৰ সকলো খৰছ বহন কৰিব লাগে। কিন্তু এমাহমান থকাৰ পাছত তেওঁলোকক আকৌ বহুত দূৰলৈ বদলি কৰি দিয়ে। সেই কাৰণে মই কৈছো যে তেওঁলোকক যাতে ৫ মাইলতকৈ বেছি আঁতৰলৈ বদলি কৰা নহয় তাৰ বাবে ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

ইয়াতে মই এটা কথা কওঁ যে চৰকাৰে Adhoc School বিলাকক অৱহেলিত কৰি ৰাখিছে। অন্যান্য স্কুলবিলাকক সাহায্য দিছে কিন্তু তেওঁলোকক দিয়া নাই। সেই কাৰণে মইৰ দুখ পাইছো যে মাদ্ৰাছা শিক্ষাৰ প্ৰতি শিক্ষা-মন্ত্ৰীয়ে পিঠি দি আছিছে।

সভাপতি ডাঙৰীয়া মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যে আজি শিক্ষা বিভাগত দুৰ্নীতিৰ প্ৰকোপ বেছি হৈছে আৰু এই কথা প্ৰত্যেক সদস্যই উল্লেখ কৰিছে। গতিকে সেইবিলাক অনতি পলমে দূৰ কৰাৰ চেষ্টা কৰিব লাগে।

উদাহৰণ স্বৰূপে মই কওঁ যে Basic Training ত fail কৰা ল'ৰাকো টকা লৈ পাছ কৰাই দিছে। ১৯৫৯ চনত প্ৰায় ১৫ জন ল'ৰাক চৰকাৰী বিষয়াই দুৰ্নীতিত লিপ্ত কৰাই পাছ কৰাই দিছে। চৰকাৰী বিষয়াই candidate বিলাকক কয় যে এইটো কোনোমতে পাচ কৰিলে শিক্ষক কামটো পোৱা যাব। গতিকে টকা দি হলেও পাছ কৰা আৰু কেইজনমান ল'ৰাই কেনেকৈ পাছ কৰিলে তাৰ মাৰ্কচিট পৰ্য্যন্ত মোৰ হাতত আছে। তেওঁলোকে হাইলাকান্দি আৰু শিলচৰ কেন্দ্ৰৰপৰা পাছ কৰিছে। হাইলাকান্দি কেন্দ্ৰৰপৰা শ্ৰীকুতুবুদ্দিন নামৰ এজন ল'ৰাৰ Roll No. 9 তেওঁ Mark পাইছিল মাত্ৰ 33. কিন্তু তেওঁৰ পৰা টকা লৈ তেওঁক 36 নম্বৰ দি পাছ কৰাই দিছে ; আৰু এজন ল'ৰা হাইলা-কান্দিৰ পৰা এইদৰে পাছ কৰিছে। তেওঁৰ নাম হ'ল শ্ৰীঅবকা হুছেইন, Roll No. 20. আৰু তেওঁ নম্বৰো পাইছিল মাত্ৰ ২০. তেওঁৰ পৰা Elementary Education বিভাগৰ Deputy Secy. শ্ৰীশ্ৰুতিকৰে ৫০০, টকা লৈ তেওঁক পাছ কৰাই দিছে। এইদৰে শিলচৰ কেন্দ্ৰৰ পৰাও ২/৪ জন ল'ৰাৰ পৰা টকা লৈ পাছ কৰাই দিছে। এতিয়া আমাৰ কথা হ'ল যে দুৰ্নীতিত লিপ্ত থকা শিক্ষকক স্কুলত ৰখাৰ কোনো প্ৰয়োজন নাই। তেনেকুৱা শিক্ষকক শিক্ষানুষ্ঠানত ৰাখি আমাৰ ছাত্ৰবিলাকক ধ্বংস কৰি দিছে। সেইকাৰণে মই মুখ্যমন্ত্ৰীৰ ওচৰত এইটো দাবী জনাইছো যে এই গোটেই ঘটনাটোৰ এটা তৎকালীন তদন্ত হব লাগে আৰু দুৰ্নীতিমূলক কামত লিপ্ত থকা লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লব লাগে।

এইটো হল আমাৰ গণতন্ত্ৰৰ দাবী। লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ স্কুলত যিবিলাক সম্পত্তি আছে সেইবিলাক ৰক্ষা কৰাৰ চেষ্টা কৰিব লাগে। কাৰণ আমাৰ স্কুলবিলাকত যিবিলাক মাটি থাকে সেইবিলাক মাটি শিক্ষক সকলে দখল কৰি নানা খেতি-বাতি কৰে তেওঁৰ ব্যক্তিগত বেপাৰৰ বাবে। কিন্তু স্কুলৰ নামত এটাও কাম কৰা নাই। এই বিষয়ত মই বৰ দুখ পাইছো।

আজি আমাৰ পৰিবহন মন্ত্ৰী নাই। তথাপি কওঁ যে ছয় গাওঁ অঞ্চলত খ্যাতনামা বিখ্যাত শ্ৰীসূৰ্য্যকান্ত কলিতাৰ বিৰুদ্ধে যিটো অভিযোগ আছে সেইটো অনুসন্ধান কৰি Legal action লব লাগে। এইদৰে যিবিলাকে দুৰ্নীতি কাৰ্য্য কৰিছে তেওঁলোকৰ বিৰুদ্ধে সম্পূৰ্ণ Legal action লব লাগে।

শ্ৰীগোবিন্দ চন্দ্ৰ বৰা — মাননীয় চেয়াৰমেন মহোদয়, আজি শিক্ষাৰ শিতানত যি কৰ্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধিতা কৰিছো। অসম চৰকাৰৰ যি ৰাজহ তাৰ পৰা ⅓ অংশ শিক্ষাৰ শিতানত খৰচ কৰা হয়। আজি দেশ গঠন কৰিবৰ কাৰণে, জাতি গঠন কৰিবৰ কাৰণে চৰকাৰে অজস্ৰ টকা ব্যয় কৰিছে কিন্তু সেই টকা প্ৰকৃততে শিক্ষাৰ শিতানত খৰচ হৈছেনে নাই আৰু সেই হিচাবে শিক্ষাৰ সম্প্ৰসাৰণ হৈছেনে নাই সেইটো আমি লক্ষ্য কৰা নাই। প্ৰাইমেৰী শিক্ষাৰ ক্ষেত্ৰত মই ইয়াকে কব খোজো যে, আমাৰ ইয়াত প্ৰায় ৩০ হাজাৰ প্ৰাইমেৰী স্কুল আছে। সেইদৰে প্ৰায় সকলো অঞ্চলতে হাইস্কুল, কলেজ আদি হৈছে। তথাপিও আজি দেখা গৈছে যে আমাৰ দেশত শিক্ষিত মানুহৰ হাৰ

শতকৰা ৩'৪ হৈছে। এইটো অৱশ্যে গণনাকাৰীৰো ভুল বুলি কোৱা টান। কাৰণ আজি প্ৰত্যেক গাৱঁতে ভোটাৰ লিষ্ট আছে। প্ৰত্যেক গাৱঁতে প্ৰাইমেৰী আৰু হাইস্কুল, প্ৰত্যেক মৌজাতে কলেজ হৈছে তথাপিও আজি শিক্ষাৰ সম্প্ৰসাৰণ কিয় হোৱা নাই বুজিব পৰা নাই। এইটো আজি চিন্তা কৰিবলগীয়া কথা হৈ পৰিছে। ইয়াৰোপৰি আজি আমাৰ ল'ৰা-ছোৱালীয়ে কি শিক্ষা পাইছে, সেই শিক্ষাৰ পৰা কি লাভ হৈছে? শ্ৰীযুত বৰা ডাঙৰীয়াই কোৱাৰ দৰে মইও কব খোজো যে, আজি শিক্ষাদান ক্ষেত্ৰত ৰাজনীতিয়ে ঠাই পাইছে। প্ৰাইমেৰী শিক্ষক সকল বা হাইস্কুলৰ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি চকু দিয়াতকৈ আজি ৰাজনীতিৰ প্ৰতি চকু দিয়া দেখা গৈছে। গতিকে দেখা যায় শিক্ষাদান কাৰ্য্যত শিক্ষকে শিক্ষাৰ পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা নাই। আমাৰ অসমীয়াত এটা কথা আছে

"পাটে পঢ়ায় বোৱে পাণ
ই তিনি নিচিন্তে আন।"

এইবাবেই বোধকৰো আমাৰ শিক্ষাৰ মানদণ্ড দিনক দিনে হ্ৰাস হৈ গৈছে। আজি আমাৰ দেশৰ ভৱিষ্যত নাগৰিক ছাত্ৰসকলক সু-শিক্ষা দিব লাগিব। ছাত্ৰ সমাজ গঠন কৰিব লাগিব। যেতিয়ালৈকে সু-পৰিচালিতভাৱে ছাত্ৰ সমাজ গঠন কৰিব নোৱাৰো, তেতিয়ালৈকে আমাৰ দেশ উন্নতিৰ পথত অগ্ৰসৰ হব নোৱাৰে। প্ৰথমেই শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগিব। আমাৰ শিক্ষানুষ্ঠান বিলাক যাতে ভালভাৱে পৰিচালিত হয় তাৰ বাবেও দৃষ্টি ৰখা কৰ্তব্য। আমাৰ যিবিলাক Senior Basic, M. V. স্কুল আছে সেইবিলাক স্কুলতে ছাত্ৰ-ছাত্ৰীক গঢ় দিয়া হয়। গতিকে এই স্কুল বিলাককো যিমান দূৰ পৰা হয় সকলো ৰকমৰ সা-সুবিধা দিব লাগে। স্কুলবিলাকক সুবিধা নিদিলে, শিক্ষকৰ অভাৱ অভিযোগ দূৰ কৰিব নোৱাৰিলে শিক্ষাৰ মানদণ্ডও উন্নত হব নোৱাৰে। আজি দেখা গৈছে প্ৰায় ঠাইতে হাইয়াৰ চেকেণ্ডাৰী স্কুল স্থাপন কৰা হৈছে। ইয়াৰ ফলত দেখা গৈছে বহুতো স্কুলতো সা-সৰঞ্জাম ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। কিয়নো যিমান আৱশ্যক সেই হিচাবে শিক্ষক নাপায়। যেনে ধৰণৰ শিক্ষাৰ প্ৰয়োজন সেই হিচাবে নোপোৱাৰ বাবেই সাজ-সজুলি বেয়া হৈ যায়। বহুতো টকা লোকচান হয়। সেইবাবে সকলো কথাই ভালদৰে চিন্তা কৰি কাম কৰিব লাগে। আমাৰ দেশক সকলোৱে লাহে লাহে যোৱা দেশ বুলি কব খোজে। আজিৰ যুগটো হৈছে বিজ্ঞানৰ যুগ। আজি আমাৰ শিক্ষাৰ ধাৰাতো ক'লাতে আৱদ্ধ নাথাকি বিজ্ঞানসন্মতভাৱে আগবাঢ়ি যাব লাগে। আজি দেখা গৈছে বিজ্ঞানৰ দ্ৰুত উন্নতিৰ বাবেই মানুহ গৈ চন্দ্ৰ পাইছেগৈ। আজি আমাৰ নতুনকৈ যিবিলাক বিজ্ঞান কলেজ স্থাপন কৰা হৈছে সেই বিলাকেও চৰকাৰৰ পৰা বিশেষ ৰকমৰ সাহায্য পোৱা নাই। অৱশ্যে কেইখনমান কলেজত মুখ্যমন্ত্ৰী মহোদয়ে কিছু সাহায্য আগবঢ়াইছে বুলি গম পাইছো। গতিকে দেখা যায় প্ৰকৃত শিক্ষা দান দিবলৈ হলে বা লৰা-ছোৱালীক দেশৰ ভৱিষ্যত নাগৰিক হিচাবে গঢ়ি তুলিবলৈ হলে শিক্ষাৰ প্ৰতি দৃষ্টি দিব লাগিব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীপিটসিং কোঁৱৰ—মাননীয় সভাপতি মহোদয়, আজি শিক্ষাৰ শিতানত

(Speech not corrected.)

যি কৰ্তন প্ৰস্তাৱ অনা হৈছে তাক মই সমৰ্থন কৰি দুআষাৰমান কব খুজিছো। আমাৰ মাননীয় সদস্য সকলে কম বেছি পৰিমাণে সকলোৱে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত যি খেলিমেলি হৈছে তাৰ আভাষ দিছে। গতিকে মইও মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে, তেখেতে যেন এই শিক্ষা ব্যৱস্থাত যি খেলিমেলি হৈছে, সেইবিলাক দূৰ কৰি শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে যত্ন কৰে। আজি দেখা গৈছে Promotion ৰ ক্ষেত্ৰতে D.P.I. অফিচতো বহুতো বেমেজালি হৈছে। Senior জন এতিয়া Junior হৈ আছে আৰু Junior জন Senior হৈ গৈছে। আনহাতে দেখা গৈছে D.P.I. কোনো Promotion ৰ ব্যৱস্থা নাই। গতিকে দেখা গৈছে কিছুমান প্ৰমোচন হৈছে আৰু কিছুমানৰ হোৱা নাই। আনহাতে শিক্ষাৰ উন্নতি হোৱাৰ দূৰৰ কথা মানদণ্ডহে কমি গৈছে।

Administrative line ৰ আৰু Teaching line ৰ নামত বৰ্তমান কোনো পাৰ্থক্য নাই, Teaching line ৰ মানুহ আহি Administrative line ত Promotion পায়। এই কাৰণে বহুতো খেলি-মেলি চলি আছে। সেইকাৰণে Teaching line ৰ মানুহৰ Teaching Line ত Promotion Administrative line ৰ মানুহৰ Administative ত Promotion হব লাগে।

তাৰ পাছত junior স্কুলৰ কাৰণে ১৯৬৮ চনতে যি আইন পাছ কৰিলে তাৰ Rule আজিলৈকে নোলাল, Rule এতিয়াও formed হোৱা নাই কোনোৱে কয় public opinion ৰ কাৰণে বৈ গৈছে কিন্তু Rule ৰ কাৰণে public opinion call কৰা নহয়। Rule within the act হব লাগে। এইটো সোনকালে ঠিক কৰি Rule টো সোনকালে উলিয়াব লাগে। মন্ত্ৰী মহোদয়ে ১২০০ স্কুল লব বুলি কৈছিল কিন্তু মৰিগাৱঁতে ৯খন L. P. স্কুল De-recognise কৰা হৈছে। এইবিলাক স্কুল আগৰে পৰা আছে আৰু তাত শিক্ষকো আছে Junior basic আৰু Govt. Junior basic স্কুলবোৰতো মাষ্টৰ আছে কিন্তু আচৰিত কথা যে কোনো Junior basic স্কুলৰ মাষ্টৰে promotion নাপায়। আৰু এটা বেমেজালিৰ কথা কও কিছুমান Junior basic স্কুলত ২।৩ মাহৰ কাৰণে অহা অস্থায়ী শিক্ষকে কেনেকৈ Basic training লোৱাৰ সুবিধা পায় আমাৰ মৰিগাৱঁৰ পৰাই এই ধৰণৰ ৩ জন শিক্ষকে অস্থায়ী কামত থাকি Training লবলৈ গৈছে।

Tribal আৰু Scheduled caste ৰ ল'ৰা-ছোৱালী বিলাকে যাতে সকলো ধৰণৰ সুবিধা পায় সেইটো চাব লাগে। আমাৰ দুখীয়া লৰা-ছোৱালী বিলাকৰ মাচুল মাফ দিয়া আৰু মাচুলৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে কিন্তু Post-Metric লৈ Scholarship দিয়ে আকৌ তেওঁলোকৰ পৰা Fees টো কাটি লয়, সেই কথাটো চাব লাগে যে Fees টো কিয় কাটি লোৱা হয়।

এহাতে Scholarship দিয়ে আকৌ আনহাতেদি Fee টো কাটি লয়। আকৌ Scholarship দিয়া হয় কিন্তু টকাটো ল'ৰাই নাপায়গৈ Principal য়ে নিজৰ Pass book ত জমা ৰাখে। এতিয়া লৰাবিলাকে টালি-টোপোলা বান্ধি ঘৰলৈ যাবৰ হ'ল অথচ এতিয়াও তেওঁলোকে Post-Matric scholarship ৰ

টকাটো পোৱা নাই। টকাটো ইয়াৰ পৰা খৰখৰকৈ যদিয়ো দিয়া হয় কিন্তু উপযুক্ত সময়ত Despatch নহয় গতিকে এইটো বিশেষভাৱে চাব লাগে।

শিক্ষা বিভাগ যদি ৰাজনৈতিক Forum বুলি ধৰি লয় তেনেহলে ইয়াৰ দ্বাৰা কে নেও সন্তুষ্ট হব নোৱাৰে, সকলোৰে Heart Burning হোৱাটো স্বাভাৱিক। আজিকালি স্কুল-কলেজৰ শিক্ষকসকলে আৰু শিক্ষাবিদসকলে ল'ৰা-ছোৱালীৰ শিক্ষাৰ বিষয়ে একো চিন্তা নকৰে, কেনেকৈ নিজৰ দৰ্মহা বাঢ়িব আৰু Promotion পাব আৰু কেনেকৈ বাহিৰা দুই এপইচা পাব তাৰহে চিন্তা কৰে। সভাপতি ডাঙৰীয়াই যেতিয়া সময়ৰ সংকেত দিলেই মই ইমানকে কৈ সামৰণি মাৰিলো।

মৌলানা আব্দুল জলিল চৌধুৰী : মাননীয় চেয়াৰম্যান মহোদয়, শিক্ষা সম্পর্কে বলবাৰ মতো ক্ষমতা আমাৰ নেই, তা নিশ্চয়ই আপনি জানেন, শিক্ষা এত উচ্চপর্য্যায়েৰ বিষয় যে সেই বিষয় সম্পর্কে বিশেষ আলোচনা কৰবাৰ ক্ষমতা আমাৰ নাই, তথাপি আজ মাননীয় সদস্যদেৰ বক্তৃতা শোনাৰ পৰ যে শিক্ষা লাভ কৰেছি তা থেকে দু'চাৰটি কথা বলতে ইচ্ছা হলো। বক্তৃতা দেবাৰ মতো সময় নাই, কেবলমাত্র একটি আক্ৰমণ, যা আজ বিধানসভায় আমাকে লক্ষ্য কৰে হলো যে মাদ্রাছা শিক্ষাৰ জন্য ব্যয়িত সব টাকা আমি আমাৰ এলাকায় দিয়ে গিয়েছি। আমি জানিনা, যে সদস্য এইসব কথা বলেন, তিনি মাদ্রাছা শিক্ষা সম্পর্কে কতটুকু অগ্রসৰ হয়েছেন এবং তিনি কি জানেন যে তাৰ জন্য সৰকাৰ থেকে কি ভাবে কত টাকা এবং কি জন্য গিয়েছে? আমিও হয় তা জানিনা, তবুও আমি বলতে পাৰি যে, এই আসাম প্রদেশে স্বাধীনতাৰ পূৰ্বে বৃটিছ কুটনৈতিকৰা এক সম্প্রদায়কে শিক্ষা থেকে বঞ্চিত কৰবাৰ যে অপচেষ্টা কৰেছিল তা থেকে মুক্ত কৰে যে শিক্ষা প্রতিষ্ঠান প্রকৃত শিক্ষাৰ বুনিয়াদ গড়েছিল তা হলো D.E.T. মাদ্রাছা। এবং আজ সৰকাৰ তাৰ উন্নতিৰ জন্য যতটুকু সম্ভৱ সাহায্য কৰতে আৰম্ভ কৰেছেন। তবুও এত স্বত্বেও তা পর্য্যাপ্ত হয় নাই। এই D.E.T. মাদ্রাসাৰ জন্য মোট খৰচ বৰাদ্দছিল ১ লক্ষ ৮৫ হাজাৰ টাকা। এবং তা থেকে আমাৰ এলাকায় মাদ্রাসা শিক্ষাৰ উন্নতিৰ জন্য দেওয়া হয়েছে ২০ হাজাৰ টাকা, এতে মাৎসর্যভাব হওয়া শিক্ষা বিৰোধী এবং নিশ্চয়ই সেই ২০ হাজাৰ টাকা দি আমাৰ কাছাড় জেলায় মাদ্রাসা শিক্ষাৰ উন্নতি কল্পে গিয়েছে তাহলে আমায় বলতে লজ্জা হচে যে, Arabic College এৰ জন্য ৰঙিয়াত সেদিন একসংগে ১৫ হাজাৰ টাকা গিয়েছে এবং তৎসংগে গোটা আসামেৰ প্রত্যেক মাদ্রাসায় পাচ হাজাৰ তিনি হাজাৰ টকা কৰে Non reading grant নিয়েছে। সেগুলিৰ দিকে দৃষ্টি না দিয়ে বিধানসভাৰ একজন দায়িত্ব সম্পন্ন সদস্য কি কৰে এইৰকম কথা বলেন আমি বুঝতে পাৰিনা। সেজন্য আমি বলছি এই বক্তৃতা সমূহ নেকে আমি তিনটি কথা বুঝতে পেৰেছি। এক নং হলো, বর্তমানে সৰকাৰ কর্তৃক দায়িত্ব সম্পন্ন শিক্ষা প্রদান সম্ভৱ হয় না। দ্বিতীয় হলো......

(গোলমাল)

মিঃ চেয়াৰমেন : মাননীয় সদস্যই কৈছে যে বদৰপুৰ মাদ্রাছাৰ কাৰণে ২০০০০ হেজাৰ টকা নিছে আৰু ৰঙিয়া মাদ্রাছাৰ কাৰণে ১৫০০০ হেজাৰ টকা নিছে।

শ্ৰীকামিনী মোহন শৰ্মা : माननीয় সদস্যই Little Madrassa স্কুলৰ কাৰণে ১৯৬৭ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত কিমান টকা নিছে, তাকেহে মই পৰিষ্কাৰ ভাবে জানিব বিচাৰিছোঁ; কাৰণ আমি জনামতে তেখেতে ১ লাখ ৫৫ হেজাৰ টকা নিয়াটো সচানে ?

মৌলানা আব্দুল জেলিল চৌধুৰী : মহাশয় এটা একেবাৰে ভিত্তিহীন, সৰকাৰকে জিজ্ঞাসা কৰে জানতে পাৰবেন।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : বদৰপুৰ মাদ্ৰাছাৰ কাৰণে ২০ হেজাৰ টকা তেখেতে নিছে; সেইখন Little Madrassa ৰ তেখেত Principal হয়নে নহয় ?

শ্ৰীভুবনেশ্বৰ বৰ্মন : আমাৰ মাননীয় সদস্যসকলে বিধান সভালৈ নিৰ্বাচিত হৈ অহাৰ পাছত Resignation Submit কৰিব লাগে কিন্তু আমাৰ মাননীয় সদস্য শ্ৰী জলিল চৌধুৰীদেৱে এতিয়াও বিধান সভাৰ সদস্য নিৰ্বাচিত হৈ অহাৰ পাছতো সেই মাদ্ৰাছা স্কুল খনৰ পৰা দৰ্মহা লৈ আছেনে নাই ? যদি লৈ আছে, তেন্তে তেখেতে এই বিধান সভাৰ নীতি ভংগ কৰা নাই নেকি ?

Mr. Chairman : For the information of the hon'ble Members

I can only say that it was discussed on several occasions during the last few years on the floor of this House and ultimately it had been decided by the Hon'ble High Court that there cannot be any bar for the hon'ble Member to continue as Principal. In so far as drawing of emoluments are other things are concerned, I think, this is not the proper forum. I would request the hon'ble Members to help me so that the discussion could be completed within time. The hon'ble Chief Minister has got to reply. Moulana Saheb to complete his speech within three minutes. আপুনি যেতিয়া সুযোগ পাব তেতিয়া এইটো প্ৰশ্ন মুখ্যমন্ত্ৰীক কৰিব আৰু মুখ্যমন্ত্ৰীয়ে তাৰ উত্তৰ দিব।

মৌলানা আব্দুল জেলিল চৌধুৰী : মহোদয় আমাদেৰ দেশেৰ শিক্ষানীতি চলছে সেই খেয়ালী সেনাৰ কাহিনীৰ মত। একটি এলাকাকে শিক্ষায় উন্নীত কৰাৰ জন্য যে পদ্ধতি গ্ৰহণ কৰা হয় সেটাকে শিক্ষা পদ্ধতি বলা হয়। এই হিসাবে 'উন্নতি হয় নাই' ইত্যাদি যাৰা বলেন আমি তাদেৰ সাথে এই কথাতে একমত হতে পাৰিনা। কাৰণ আমাৰ এই ৰাজ্যেৰ লোক সংখ্যা প্ৰায় ১ কোটি আৰ এই বৎসৰ শুধু বাজেটে Technical শিক্ষাৰ জন্য দেওয়া হয়েছে ২৮ কোটি টাকা। তাহলে গড় হিসাবে জনসাধাৰণেৰ ২৮ গুণ বেশী টাকা খৰচ হয়েছে শিক্ষাৰ খাতে। ১৯৪৭-৪৮ ইংৰাজীতে ছিল মাত্ৰ ৭৪ লক্ষ টাকা শিক্ষাৰ খাতে। সুতৰাং দেখা যায় শিক্ষাৰ খাতে প্ৰচুৰ টাকা খৰচ কৰা হচ্ছে। আগে সমস্ত আসামে ১৭-১৮ টা কলেজ ছিল, আৰ আজ সাৰা ৰাজ্যে ১১০ টি কলেজ, ৩ টি ইউনিভাৰসিটি, ৪ হাজাৰ হাইস্কুল, ২০ হাজাৰ এম ই স্কুল।

কিন্তু এত সব থাকা সত্ত্বেও শিক্ষায় আমৰা সন্তুষ্ট নই, তাছাৰা একটা কথা আছে যে, কোন একটি শিক্ষাকে যতটুকু সৰকাৰ নেকে দূৰে ৰাখা যায় শিক্ষা ততটুকুউন্নতি লাভ কৰতে পাৰে। কাৰণ ডাঃ জাকিৰ হুচেইনে লিখেছেন যে, শিক্ষা যতদিন তাবেচাৰ থাকবে ততদিন সে উন্নতি লাভ কৰতে পাৰবেনা। যাৰ একমাত্ৰ সম্পৰ্ক থাকতে পাৰে শুধু অৰ্থ সাহায্যেৰ ব্যাপাৰে। শিক্ষা পৰিকল্পনা, শিক্ষা পদ্ধতি, শিক্ষাৰ উন্নতি প্ৰভৃতি ন্যস্ত থাকা উচিত ৰাজ্যেৰ শিক্ষাবিদদেৰ উপৰ এবং শিক্ষিত সমাজেৰ উপৰ। সেজন্য আজ আমৰা শিক্ষাৰ ব্যাপাৰে যে অসন্তুষ্টি প্ৰকাশ কৰছি তাৰ একমাত্ৰ কাৰণ শিক্ষাৰ উপৰ ৰাজনীতিৰ অস্বাভাবিক প্ৰভাৱ যা শিক্ষাৰ উন্নতিৰ পথে বিৰাট অন্তৰায় হয়ে দাড়িয়েছে। সেজন্য আমি এখানকাৰ মন্ত্ৰীপৰ্য্যায় থেকে Directorate পৰ্যন্ত এই ২২ বৎসৰ যাতায়াত কৰাৰ পৰ দুইটি মাত্ৰ পদ্য শিখেছিলাম মাননীয় সদস্যবৃন্দ শিক্ষাৰ ব্যাপাৰে যে দুঃখ প্ৰকাশ কৰছেন সেটা নিয়ে আমি এখানে বসে লিখেছি ......

"যখন আমি নিজে ৰূপ তৈৰী কৰতে আৰম্ভ কৰেছি নিজেৰ মধ্যে তখন আমাৰ সুস্থ জীবনেৰ শিক্ষিত জীবনেৰ প্ৰতিফলন কি ৰকম হবে"

"শিক্ষিত সমাজ যখন শিক্ষাৰ দিকে ধাবিত না হয়ে ৰাজনীতি নিয়ে নিবিষ্ট হয়ে থাকে তখন আবাৰ কি কৰে শিক্ষাৰ সুস্থ জীবন গড়াৰ সমালোচনা নে কৰতে পাৰে?"

মহোদয়, আমি আৰ একটা কথা বলব। আমি অত্যন্ত গুৰুত্বপূৰ্ণ দুইটি পৰামৰ্শ দিয়ে আমি চলে যাব। দুৰ্নীতি সমগ্ৰ ৰাজ্যেৰ শিক্ষা পৰিবেশকে নষ্ট কৰে ফেলেছে। এই দুৰ্নীতিৰ কাৰণ হলো টাকাৰ লেন দেন নিয়ে। টাকাৰ লেন দেন দুৰ্নীতিৰ একটি চিৰাচৰিত কাৰণ ৩১ মাৰ্চ এৰ গতানুগতিক ব্যাপাৰকে আমি বলি 'হাজাৰ্দ' School grant কে ৩১ মাৰ্চ পৰ্যান্ত না দিয়ে একটা স্থায়ী গ্ৰান্ট এৰ ব্যবস্থা কৰা দৰকাৰ। আমাদেৰ শিক্ষা ক্ষেত্ৰে একটি হলো বেতন গ্ৰান্ট আৰ অন্য একটি হলো বৃত্তি grant এই grant গুলি যদি State Bank of India ৰ মাৰফৎ Local M.L.A. দেৰ তদাৰকে বিলিয়ে দেবাৰ ব্যবস্থা হয়। তাৰ জন্য যাতে মাসেৰ পৰ মাস বৎসৰেৰ পৰ বৎসৰ D.I. এবং S.I. of Schools এৰ অফিছে ধৰ্ণা দিতে নাহয়। তাহলেই শিক্ষাক্ষেত্ৰে দুৰ্নীতি অনেক কমে যাবে। দ্বিতীয় একটি কথা আমি বলতে চাই যে, প্ৰকৃত যাৰা শিক্ষিত ব্যক্তি তাদেৰকে নিয়ে শিক্ষা ব্যবস্থা কি কি ভাবে উন্নতি লাভ কৰবেন। সৰকাৰ এই পৰামৰ্শ অনুযায়ী শুধু অৰ্থ সাহায্য দেবেন। এই ভাবে পৰিকল্পনা গ্ৰহণ কৰলে শিক্ষা স্বাধীনভাবে উন্নতিৰ পথে এগিয়ে যাবে।

শ্ৰীজেহিৰুল ইছলাম— মাননীয় চেয়াৰমেন মহোদয়, জাতীয় উন্নতিৰ কাৰণে শিক্ষাৰ প্ৰয়োজন কিমান তাক দোহাৰিবৰ কোনো বিশেষ দৰকাৰ নাই। আজি চৰকাৰী হিচাব মতে অশিক্ষিত লোকৰ সংখ্যা ৫০ লাখৰো বেছি হৈছে গোটেই ভাৰতবৰ্ষতে। মানুহৰ জন্ম সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে অশিক্ষিত লোকৰ সংখ্যাও বাঢ়ি গৈছে। যোৱা ১০ বছৰত মাথোন ৩.৪ ভাগ শিক্ষিতহে বাঢ়িছে। জনসংখ্যা হিচাবত চালে দেখা যায় অশিক্ষিতৰ সংখ্যাহে বেছি বাঢ়িছে। ৰাজ্যপালৰ ভাষণত এইবাৰ, ইয়াৰ আগৰ বছৰত যি আছিল সেই একেই আছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত শিক্ষানীতিৰ কথা উল্লেখ কৰিছে। কিন্তু যিমানখিনি গুৰুত্ব দিয়া উচিত আছিল সিমানখিনি গুৰুত্ব দিয়া নাই। গুণগত শিক্ষা আৰু শিক্ষাৰ মান বৃদ্ধি কৰাৰ

কথা শুনাইছিল যদিও বাস্তৱ ক্ষেত্ৰতে তাৰ অকৃতকাৰ্য্যতা প্ৰমাণিত হৈছে।

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দেখা যায় অন্ততঃ কমেও ২০ জন ছাত্ৰৰ মাজত এজন শিক্ষকৰ দৰকাৰ। কিন্তু উপযুক্ত ভাৱে শিক্ষকৰ নিযুক্তি দিয়া হোৱা নাই। আকৌ চৰকাৰী আৰু বেচৰকাৰী হাইস্কুল আৰু এম, ই, স্কুলৰ ক্ষেত্ৰত তাৰতম্য দেখা গৈছে। Deficit grant দিয়াৰ ক্ষেত্ৰতো বহুতো লাজ আৰু দুখৰ কথা দেখা যায়। ইয়াৰ এটা সুব্যৱস্থা কৰিব লাগে গতিকে এই বৈষম্য বিলাক আঁতৰাব লাগে।

মাননীয় সদস্য শ্ৰীফণী বৰা ডাঙৰীয়াই কৈছে যে শিক্ষাৰ ক্ষেত্ৰত বৈপ্লৱিক চিন্তা ধাৰাৰ পৰিবৰ্ত্তন কৰিব লাগে। এতিয়া যদি সচাকৈ শিক্ষাৰ সম্প্ৰসাৰণ কৰিব খোজে তেনেহলে শিক্ষাৰ ক্ষেত্ৰত বৈপ্লৱিক চিন্তাধাৰাৰ একান্ত প্ৰয়োজন।

আন এটা কথা মই কব খুজিছো—শিক্ষাৰ ক্ষেত্ৰত বিধান সভাৰ পৰা গ্ৰাণ্ট দিয়া হয় কিন্তু সেই গ্ৰ্যাণ্ট ক'ত কেনেকৈ দিয়া হয় আমি নজানো কিয়নো মোৰ সমষ্টিৰে কেইবাখনো স্কুলে গ্ৰাণ্ট পোৱা নাই। আকৌ Asstt. Inspector for Muslim education ৰ এটা পোষ্ট Vacant আছে গতিকে অতি সোনকালে fill up কৰিব লাগে। শিক্ষাবিভাগৰ ক্ষেত্ৰত ৰাজনীতিৰ মেৰপাক সোমাব দিব নালাগে।

এইখিনি কথাকে কৈ শিক্ষা বিভাগৰ মঞ্জুৰীৰ ক্ষেত্ৰত অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ে যে চৰকাৰ নিচেষ্ট আছে সেইটো নহয়। চৰকাৰ বোলোতে মই ভাৰত চৰকাৰক কৈছো। আমাৰ শিক্ষানীতি জাতীয় ভাৱে নিৰ্দ্ধাৰণ হোৱা নাই। এখন ৰাজ্যত এটা শিক্ষা পদ্ধতি আৰু দুখন এখন ৰাজ্যত এটা বেলেগ শিক্ষা পদ্ধতি যদি অৱলম্বন কৰা হয় তেতিয়াহলে সামূহিক ভাৱে সেই দেশ বা সেই সমাজখন বিশেষ ভাৱে লাভবান হব নোৱাৰে। শিক্ষা বিষয়টো সংস্কাৰ কৰিবৰ কাৰণে যেতিয়া দেশ পৰাধীন আছিল তেতিয়াৰ পৰা চেষ্টা চলিয়ে আছে। পৰাধীন হৈ থকা অৱস্থাত আমাৰ শিক্ষা সীমিত আছিল। মাত্ৰ শতকৰা ১০ ভাগক শিক্ষা দিয়া হৈছিল মাত্ৰ বৃটিশৰ শাসন যন্ত্ৰটো সুচাৰুৰূপে চলিবৰ কাৰণে আৰু শিক্ষাৰ উদ্দেশ্য আছিল চৰকাৰী বা বেচৰকাৰী যিকোনো চাকৰি পোৱা কিন্তু দেশ স্বাধীন হব এনেকুৱা যেতিয়া অনুমান হ'ল তেতিয়া দূৰদৃষ্টি সম্পন্ন ব্যক্তি সকলে ইয়াৰ পৰিসৰ বৃদ্ধি কৰিবলৈ চিন্তা কৰিলে। সেই কাৰণে ১৯৩৪ চনত মহাত্মা গান্ধীয়ে জাতীয় শিক্ষা কেনেকুৱা হব লাগে এই সম্পৰ্কে আলোচনা কৰিবৰ কাৰণে এখন সভা আহ্বান কৰিলে। সেই সভাৰ পিচত ডাঃ জাকিৰ হুচেইনৰ সভাপতিত্বত এখন কমিটি কৰি দিয়া হৈছিল যাতে বুনিয়াদী শিক্ষাই বিস্তৃতি লাভ কৰে আৰু মানৱীয় শিক্ষাৰো বিকাশ সাধন হব পাৰে। সেই উদ্দেশ্য সাৰোগত কৰি হুচেইন কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিলে। সেই ৰিপোৰ্টত কোৱা হৈছিল যে ভৱিষ্যতে প্ৰত্যেক জন নাগৰিকক সম্পূৰ্ণ শিক্ষা দিবৰ চেষ্টা কৰিব লাগিব। কিন্তু ইয়াৰ দ্বাৰা ইয়াকে কোৱা হোৱা নাছিল যে প্ৰত্যেকে বিশ্ববিদ্যালয় বা উচ্চ মাধ্যমিক শিক্ষা লাভ কৰিব লাগিব। প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে এনেকুৱা syllabus তৈয়াৰ কৰিব লাগিব যাৰ দ্বাৰা ১৪ বছৰৰ ল'ৰা-

ছোৱালীক বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগিব। সেইখিনি পোৱাৰ পাচত পাৰে, যদি সামৰ্থ আছে বা যোগ্যতা আছে তেওঁ বিশ্ববিদ্যালয়ৰ শিক্ষা লব পাৰে তাৰ কাৰণে চৰকাৰে দায়িত্ব গ্ৰহণ কৰিব নালাগে। এই প্ৰতিবেদন পোৱাৰ পিচত বেচৰকাৰী ভাৱে মহাত্মা গান্ধীৰ নেতৃত্বত নয়া তালিম বুলি এটা সংঘ গঠন হৈছিল তাত পৰীক্ষা কৰা হৈছিল এই শিক্ষা আমাৰ দেশত খাপ খাব নে নেখায়। (এই বিশেষজ্ঞ সকলৰ ভিতৰত আশা দেৱী ইত্যাদি আছিল।) পৰীক্ষাৰ অন্তত এইটো প্ৰমাণিত হ'ল যে ইয়াৰ দ্বাৰা বহুতো সমালোচনা চলিছিল। ডাঃ জাকিৰ হুচেইনৰ নিৰ্দ্ধাৰণ কৰা প্ৰতিবেদন মতে এই শিক্ষাৰ ফলত আমাৰ দেশত ইঞ্জিনিয়াৰ scientist, ডাঙৰ ডাঙৰ কবি সুসাহিত্যিকৰ সৃষ্টি হ'ব কিন্তু ইয়াৰ দ্বাৰা মানসিক শক্তিৰ বিকাশ সাধন হ'ব, শাৰীৰিক শক্তিৰ হ'বনে নহয় এই বিষয়ে সমালোচনা হৈছিল এই বিষয়ে পৰীক্ষা চলিল আৰু পৰীক্ষাৰ অন্তত কোৱা হ'ল যে বুনিয়াদী শিক্ষাৰ ল'ৰা-ছোৱালী আৰু সাধাৰণ শিক্ষাৰ ল'ৰা-ছোৱালীৰ মাজত যি প্ৰতিযোগিতা হৈছে তাত বুনিয়াদ শিক্ষা প্ৰাপ্ত কৰা ছোৱালী কোনো গুণে শিক্ষা কম নাছিল দেশ স্বাধীন হোৱাৰ পিচত ৰাজ্য চৰকাৰ সমূহে সিদ্ধান্ত লৈছিল যে ক্ৰমে ক্ৰমে এই শিক্ষা প্ৰৱৰ্ত্তন কৰাৰ পাচত বহুতো সমালোচনা হ'ল আৰু যিধৰণে আগ্ৰহ বাঢ়িব লাগিছিল সেই ধৰণে নাবাঢ়াত বন্ধ কৰিব লগীয়া হয়। এই শিক্ষাৰ উদ্দেশ্য আছিল ল'ৰা-ছোৱালীয়ে এই শিক্ষা লৈ স্বয়ং সম্পূৰ্ণ স্বাৱলম্বী হৈ চলিব পাৰে তাৰ ব্যৱস্থা কৰিছে। কিন্তু সেই ব্যৱস্থা ব্যৰ্থ হ'ল। দেশ স্বাধীন হোৱাৰ পাচত কেন্দ্ৰীয় চৰকাৰে এই শিক্ষা পদ্ধতি প্ৰৱৰ্তনত বিশেষ চেষ্টা চলাইছিল। কিন্তু দেশ স্বাধীন হোৱাৰ আগতে যুদ্ধোত্তৰ পৰিকল্পনাৰে ইয়াৰ প্ৰচেষ্টা চলিছিল। সেই বিষয়ে ডাঃ চাৰ্জেনৰ তলত এটা আয়োগো গঠন কৰা হৈছিল। চাৰ্জেনে প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনৰ মতে class VIII ৰ ওপৰত শিক্ষা পদ্ধতি speciaised হ'ব লাগে। ছাত্ৰ-ছাত্ৰীৰ মনোস্তাত্বিক প্ৰবৃত্তি লৈ লক্ষ্য কৰি বিজ্ঞান Engineering, technical যি যিহত আগ্ৰহ কৰিব তাতে শিক্ষা লাভ কৰিব। সেই শিক্ষাৰো দুটা মাধ্যম হ'ব লাগে academic & technical। একাডেমিকত Humanities বা প্ৰশাসনীয় ব্যৱস্থা শিকিব আৰু technical বিজ্ঞান বা যন্ত্ৰপাতিৰ কাম শিকিব। কিন্তু এই পৰীক্ষাৰে কাম হাতত লবলৈ বেছি দিন তিষ্ঠিব নোৱাৰিলে। এই বিলাক ক্ষেত্ৰত ৰাজনৈতিক দলৰ সমৰ্থন বা শিক্ষাবিদ সকলৰ সহযোগ লাগিব। এই বিষয়ে আমাৰ বৰা ডাঙৰীয়াই কৈছেই যে আৰ্থিক অনাটন শিক্ষাৰ অন্তৰায় আৰু মৌলনা চাহাবে কৈছে শিক্ষাত যিমান খৰচ হৈছে সিমান কাম হোৱা নাই। খৰচৰ ফালে চালে শিক্ষাৰ উন্নতি নোহোৱাৰ কাৰণ নাই। ১৯৪৭-৪৮ চনত খৰচ হৈছিল ৬০ লাখ। আজি সেই মূল্য বৃদ্ধি হৈ ২৮ কোটি পাইছে আৰু ই ক্ৰমে ক্ৰমে বাঢ়ি যাব। গতিকে খৰচৰ হিচাবলৈ চাই শিক্ষাৰ যে অগ্ৰসৰ হোৱা নাই সেই কথা স্বীকাৰ কৰিব নোৱাৰি। কিন্তু ফলাফলৰ ফালে লক্ষ্য কৰিলে দেখো আমাৰ দেশত অপৰিকল্পিত ভাৱে আৰু উদ্দেশ্যহীন ভাৱে নিবনুৱাৰ সংখ্যা বাঢ়িছে। এইবোৰ দূৰ কৰিবৰ কাৰণে বেলেগ বেলেগ সময়ত ৰাধাকৃষ্ণণ কমিচন, মুদালিয়া কমিচন কোঠাৰী কমিচন আদি কমিচন কৰা হৈছে এই কমিটি বিলাকে শিক্ষাৰ বিষয়ে সমাজৰ লগত সমন্বয় ৰক্ষাৰ বাবে বহুতো

পৰামৰ্শ আগবঢ়াইছে। কিন্তু আয়োগৰ অনুমোদন বিলাক কাৰ্যকৰী কৰিব পৰা নাই। কাৰণ কোনো ক্ষেত্ৰত ই শিক্ষাবিদৰ গ্ৰহণযোগ্য নহব আৰু কোনো কোনো ক্ষেত্ৰত আৰ্থিক অনাটন হয়। শেহতীয়াভাৱে কোঠাৰী কমিচনে বহুতো পৰামৰ্শ আগবঢ়াইছে। কিন্তু যি পদ্ধতিৰে আমাৰ দেশত শিক্ষা লাভ কৰে তাৰ লগত সমাজৰ সমন্বয় ৰাখিব নোৱাৰে। ফলত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভা বিকাশ লাভ কৰা টান হৈ পৰে। বাঢ়ৈ ল'ৰাক বাঢ়ৈ, শিল্পীৰ ল'ৰাক শিল্পী হবৰ বাবে যাতে শিক্ষা দিব পৰা যায় তেনেহলে শিক্ষা লাভ কৰাৰ পাছত জীৱন-যাপন কৰিবৰ কাৰণে যি সহায়, সাহায্যৰ আৱশ্যক সেই সকলো আগবঢ়োৱা হৈছে। প্ৰত্যেকৰে কিছুমান পৰম্পৰা আছে গতিকে তেওঁলোকৰ পৰম্পৰাৰ লগত সামঞ্জস্য ৰাখি তেওঁলোক স্বাৱলম্বী হোৱাত যি সুবিধা লাগে তাকে আগবঢ়োৱা হৈছে। আমাৰ ইয়াত সকলোৱে গণতন্ত্ৰৰ কথা কয় সকলো বেলেগ বেলেগ শ্ৰেণীত বিভক্ত হৈছে গতিকে এই সকলো লোককে সমানে সুবিধা দি আমি আগবাঢ়িব পৰা নাই। গতিকে আজি অসমৰ বিভিন্ন অঞ্চলত গাৱে-ভুয়ে বুনিয়াদী শিক্ষা প্ৰৱৰ্তন কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ইয়াৰোপৰি দেখা গৈছে যে গাৱলীয়া স্কুল সমূহত খেতি কৰিবৰ বাবে টাউনৰ স্কুল সমূহত চাকৰি আদি কৰিবৰ বাবে শিক্ষা দিয়া হৈছে আৰু ইয়াতে টাউন আৰু গাৱৰ মাজত যিটো পাৰ্থক্য সেইটো আহি পৰিছে। গতিকে শিক্ষা পদ্ধতিৰ পৰিবৰ্তন কৰিবৰ বাবে চেষ্টা কৰিছো আৰু স্কুল সমূহত অন্যান্য বিষয়ৰ লগতেই craft বিষয়টো সোমাই দিয়া হৈছে। এতিয়া দেখা গৈছে যে এই craft teacher সকলে দৰমহা পোৱা নাই আৰু বিশ্বনাথ চাৰিআলিকে আৰম্ভ কৰি বহুতো ঠাইৰ স্কুলতে এই ব্যৱস্থা কৰা হৈছিল কিন্তু প্ৰকৃততে এইটো শিক্ষা নহয় শিক্ষাৰ এটা "বায়াচ" দিবৰ কাৰণে যিটো কৰা হৈছিল সেইটো ব্যৰ্থ হ'ল। কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়ত যি গুৰুত্ব দিব লাগিছিল সেই গুৰুত্ব নিদিলে গতিকে আমাৰ গণতান্ত্ৰিক ৰাজ্যত এই সজ উদ্দেশ্যক বেলেগ ৰকমে সমালোচনা কৰা কাৰণে আমাৰ craft or Agriculture "বায়াচ" ৰিখিনি দিব লাগিছিল সেইটো হৈ নুঠিল। ঠিক তেনেকৈয়ে আজি আমাৰ যিটো উদ্দেশ্য যে আমি আমাৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে সুশিক্ষিত কৰি আমাৰ দেশৰ যিটো লক্ষ্য সেই লক্ষ্যত উপনীত কৰিবলৈ সেই মতে কাম কৰিব পাৰো আৰু সকলোৱে পৰা শিক্ষা দি এই কণ কণ ল'ৰা-ছোৱালীক প্ৰস্তুত কৰিবলৈ সকলোকে একে ধৰণৰ শিক্ষা দিয়াটো বাঞ্চনীয় বুলি মই কব নোৱাৰো। বৰ্ত্তমান আমি যিটো শিক্ষা দিয়াৰ কাৰণে আগবাঢ়িছো সেইটো কেনে ভাৱে কৃতকাৰ্য্য হয় সেইটো মই খাটাংকৈ কব নোৱাৰো। আমাৰ দেশৰ বৰ্তমান যি সংবিধান সেই মতে আমাৰ এটা দায়িত্ব আছিল যে ৬ বছৰৰ পৰা ১১ বছৰলৈ ল'ৰা-ছোৱালী সকলক বাধ্যতামূলক শিক্ষা দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে সেইখিনি কথাৰ বিষয়ে আমি কোৱা নাই। আমি কৈছো যে আমাৰ বৰ্তমান যি প্ৰস্তাৱ হৈছে, যে আমি বৰ্তমানে দেখিবলৈ পাইছো যে আমি কোঠাৰী বা মদালিয়া কমিচনৰ কোনো কথাকে শিক্ষা পদ্ধতিত গ্ৰহণ কৰা নাই। আমাৰ বৰ্তমানৰ শিক্ষা

পদ্ধতি পৰিৱৰ্তন সাধন কৰিব নোৱাৰিলে আমাৰ নিবনুৱা সমস্যাসমাধান নহয়। আজি যি চাকৰিমুখী শিক্ষা প্ৰৱৰ্তন কৰা হৈছে সেই শিক্ষা প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত মহামানৱ মহাত্মা গান্ধীৰ নীতি, বিনোৱা ভাৱেৰ নীতি প্ৰৱৰ্তন কৰি শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ বাবে চৰকাৰে চিন্তা কৰা নাই নেকি?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী : নই তাকেই কৈছো। এইবিলাক পুৰাপুৰি-ভাৱে কাৰ্যাকৰী কৰিবলৈ আমাৰ টকাৰ অভাৱ। যিবিলাক ল'ৰা-ছোৱালী শিক্ষা লাভ কৰিবলৈ আহে তেওঁলোকৰ Interest ৰ লগত সামঞ্জস্য ৰাখি শিক্ষা দিব লাগে। তেতিয়াহে প্ৰতিভা বিকাশ হব পাৰে। তেওঁলোকক যিখিনি মানসিক প্ৰস্তুতি লাগে সেইয়া দিয়া দৰকাৰ। পৰীক্ষামূলকভাৱে আমাৰ দেশত কাৰিকৰী শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি হৈছে। যেনে Degree course, Diploma course আদি নানা ধৰণৰ শিক্ষানুস্থান বাঢ়িছে। কিন্তু তাৰ ফলস্বৰূপে কি দেখিছো আজি আমাৰ ৰাজ্যৰ বহুতো অনুস্থান ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ কৰি দিয়া হৈছে আৰু ইয়াৰোপৰিও আমাৰ বহুতো অনুস্থানত ভৰ্তি কৰা আদি সংযমো আনিব লগা হৈছে। ইয়াৰ প্ৰধান কাৰণ হল আমাৰ ছাত্ৰ-ছাত্ৰীসকলে চাকৰি কৰাৰ মনোবৃত্তি লৈয়ে এইবিলাক অনুস্থানত ভৰ্তি হয় আৰু পাছ কৰাৰ পাছতে চাকৰি দিব লগা হয়। গতিকে চাকৰীৰ স্থান অনুপাতে ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰিব লগীয়া হয়। আজি মহাত্মা গান্ধীৰ কথা কোৱা হৈছে। তেখেতে কি কৈছিল? তেখেতে কৈছিল ১৪ বছৰৰ ওপৰৰ যিবিলাক ছাত্ৰ-ছাত্ৰী শিক্ষা লাভ কৰিবলৈ যায়, সেই সকল ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব চৰকাৰে বহন কৰিব নেলাগে। তেওঁলোকে নিজে নিজে বহন কৰিব লাগিব। সেই মতেও ১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ দায়িত্ব নিজে নিজে বহন কৰাৰ কথা।

দেশত ভালদৰে শিক্ষা পদ্ধতি প্ৰচাৰ হোৱাটো সকলোৱে বাঞ্চা কৰে। আমি এইটো কথা মনত ৰাখিব লাগিব যে আজি আমাৰ চৰকাৰে বাধ্যতামূলকভাৱে শিক্ষা প্ৰৱৰ্তন কৰিব পৰা নাই। দ্বিতীয়তে আমাৰ শিক্ষাৰ প্ৰসাৰতা বাঢ়িছে। শিক্ষা অনুস্থান বাঢ়িছে। যদি কোনোবাই ইচ্ছা কৰে এই অনুস্থান বিলাক বঢ়াবৰ কাৰণে প্ৰত্যেক ঠাইতে সুবিধা দিয়া হৈছে। গতিকে আজি আমাৰ যিটো লক্ষ্য আছিল, সেই লক্ষ্যতেই আৱদ্ধ নাথাকি শিক্ষা এনে ভাৱে লাভ কৰিবলৈ চাব লাগিব, যাতে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হয়। হয়তো এনে এটা দিন আহিব যিদিনা আমাৰ ছাত্ৰ-ছাত্ৰী সকলে যিকোনো কাম কৰিবলৈ ইচ্ছা নকৰিব।

শ্ৰীনামেশ্বৰ পেগু : মুখ্যমন্ত্ৰী মহোদয়ে, শিক্ষা ভৱিষ্যতে কেনেকৈ উন্নত কৰিব পাৰে সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছে। কিন্তু দেখা যায় বৰ্তমান আমাৰ যি শিক্ষা পদ্ধতি মুখ্যমন্ত্ৰী সেই পদ্ধতিৰ কথাহে দাঙি ধৰিছে। এইটোৰ লগত আমাৰ অৰ্থনীতিৰ কোনো সামঞ্জস্য নাই যেন লাগে। আমাৰ যি Public Sector আৰু Private Sector আছে তাত দেখা যায় Private Sector এ আগবাঢ়িব পৰা নাই। আজি বৈজ্ঞানিক যুগত বহুতো ইঞ্জিনিয়াৰ আৰু technical মানুহ আছে যিবিলাকক এই চৰকাৰে নিয়োগ কৰিব পৰা নাই।

গতিকে অৰ্থনীতিৰ পৰিবৰ্তন কৰিব পৰা নহয় তেনেহলে বিজ্ঞানসম্মতভাৱে আমি যিমানেই আগ্‌বাঢ়ো প্ৰকৃততে আমি আগবাঢ়িব নোৱাৰো। গতিকে অৰ্থ-নীতিৰ পৰিবৰ্তন সাধন কৰি আমাৰ ওলাই অহা লৰাবিলাকক নিয়োগ কৰিব পাৰিব লাগিব।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, মুখ্যমন্ত্ৰী: মোটামুটিভাৱে আমাৰ অসমত যি পৰিমাণৰ মানুহে Industry ত সুবিধা পাব লাগিছিল সেইটো পোৱা নাই। মই ভাবো দেশত এনে এটা পৰিস্থিতি সৃষ্টি কৰিব লাগিব যাৰ দ্বাৰা বৰ্তমানৰ যি নিবনুৱা সমস্যা, সেইটো সমাধান হৈ যাব। আজি আমাৰ যিমান বিলাক উদ্যোগ আছে সেই বিলাকত নিয়োগ কৰাৰ পাচত দেখা যাব যে মাত্ৰ শতকৰা ১০ ভাগ মানুহকহে নিয়োগ কৰা হৈছে আৰু বাকী ৯০ ভাগ নিবনুৱা হৈ আছে। আমাৰ শিক্ষাৰ যোগেদি যাতে dignity of labour বঢ়াব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগিব। ইয়াৰ পাচত যিবিলাক text book ছাত্ৰ ছাত্ৰীৰ বাবে নিৰ্বাচন কৰা হয় সেইবিলাকো সংশোধন কৰিব লাগে যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনটো উদ্দেশ্যপূৰ্ণভাৱে গঢ়ি তুলিব পাৰে। আজি দেখা গৈছে আমাৰ বহুতো Primary School আছে যিবিলাকে মঞ্জুৰী পোৱা নাই। মেঘালয়কে ধৰি অসমত প্ৰায় ২৫ হাজাৰ গাওঁ আছে আৰু মেঘালয়ক বাদ দি প্ৰায় ২৫ হাজাৰ প্ৰাইমাৰী স্কুল আছে। মই সদস্য সকলৰ লগত একমত যে এজনীয়া শিক্ষক থকা স্কুল বিলাকত ভাল শিক্ষা সম্ভৱপৰ হব নোৱাৰে। এখন স্কুলত ৮০ জন বা ১০০ জন ছাত্ৰ থাকিলে এজন শিক্ষকে সেইটো চলাব কেতিয়াও নোৱাৰে।

শ্ৰীহীৰালাল পাটোৱাৰী: এজনীয়া শিক্ষকৰ problem টো All India problem.

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী: আমি এই বিষয়ত এটা বিশেষ চেষ্টা চলাই আছো আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এজনীয়া শিক্ষকৰ স্কুল বিলাকত দুজন শিক্ষক কৰিবলৈ সাহায্য বিচাৰিছো। এই কাম কৰিবলৈ হলে ২ কোটি ৮৮ লাখ অতিৰিক্ত টকা লাগিব।

(Voice: সেইটো কৰা বেয়া নহয়)

সেইটো ভালেই হব। কিন্তু তাৰ কাৰণে অতিৰিক্ত পুঁজিৰ প্ৰয়োজন হব আৰু সেইখিনি সাধ্যৰ ভিতৰত পাৰিলে কৰিব পৰা হয়। শ্ৰীগোস্বামীদেৱেও উল্লেখ কৰিছে যে আমাৰ স্কুলৰ ঘৰ-দুৱাৰৰ অৱস্থা শোচনীয়। এতিয়া কথা হৈছে এই ঘৰ-দুৱাৰৰ দায়িত্বও চৰকাৰে ললেই ইয়াৰ অৱস্থাৰ উন্নতি হব নোৱাৰে। সেই কাৰণে বাইজৰ ফালৰ পৰাও এই ঘৰ-দুৱাৰ নিৰ্মান কৰাৰ প্ৰচেষ্টা হলে ভাল হয় আৰু ৰাইজেই ঘৰ-দুৱাৰ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাচত আমাৰ স্কুল বিলাকত প্ৰয়োজনীয় মেপ, বেঞ্চ, গ্লোব, দেস্ক, ব্লেক বোৰ্ড আদিৰ যি বেমেজালি আছে সেইবিলাক দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে। তাৰ পাচত Deficit স্কুল বিলাকৰ পুণৰ গঠন হব লাগিব। আমাৰ গোস্বামী আয়োগে এই মৰ্ম্মে Report দিছে। এই Report অনুসৰি আমাৰ যি বিলাক Adhoc গ্ৰান্টৰ স্কুল আছে সেই বিলাকৰ ভিতৰত ৪৪ খন Deficit পৰ্য্যায়লৈ আনিবলৈ অনুমোদন দিছে। ৫৪৭ খন হাইস্কুল, ৯৩০ খন M.E. স্কুল এই adhoc গ্ৰান্টৰ অন্তৰ্ভুক্ত হৈছে। এই বিলাক বিচাৰ

কৰি ৰিপৰ্টত লিখিছে যে লক্ষীমপুৰ জিলাত ২ খন স্কুল adhoc পৰ্য্যায়লৈ নিব লাগে। শিৱসাগৰত এখন, নগাওঁত ১৯ খন; দৰঙত—৯, (বেছি আছে) কামৰূপত—১৫ (বেছি আছে) গোৱালপাৰাত ২৫ খন, কাছাৰত ২ খন আৰু মিকিৰ পাহাৰ জিলাত ২ খন কম আছে। এই কম বিলাক পূৰাবলৈ আৰু বেছি বিলাক কমাবলৈ মুঠ ৪৪ খন স্কুল Deficit System লৈ আনিবলৈ গোস্বামী আয়োগে পৰামৰ্শ দিছে। সেইটো কৰিবলৈ হলে বছৰি ১৯ লাখ ৪৪ হাজাৰ টকা লাগিব। Recognition সম্পৰ্কত এটা প্ৰশ্নৰ প্ৰসঙ্গত State minister এ কৈছে যে সেই বিলাক পুণৰ বিবেচনা হব লাগিছে আৰু Secondary Board ত এটা কমিটি হৈছে আৰু এই কমিটিত এইডেদ হাইস্কুলৰ পৰা দুজন প্ৰতিনিধি আছে।

শ্ৰীভুবনেশ্বৰ বৰ্মন : কামৰূপত যে বেছি হৈছে বুলি কৈছে তাত স্ত্ৰী শিক্ষাও ধৰা হৈছে নেকি ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : তাত সৰ্বমুঠ ১৫ খন বেচি হৈ আছে আৰু বহুতো কৰ লগীয়া আছিল। কিন্তু সেই বিলাক মই নকৈ Scholarship ৰ সম্পৰ্কত অলপ কওঁ। এই Scholarship সম্পৰ্কত এটা ডাঙৰ অভিযোগ আছে যে ল'ৰা-ছোৱালী বিলাকে নিয়ম মতে Scholarship ৰ টকা নাপায়। এই বিষয়ে আমি এটা ব্যৱস্থা গ্ৰহণ কৰিছো। আগতে নিয়ম আছিল যে National Scholarship যিবিলাকে পায় তেওঁলোকক নিষ্পত্তি নকৰাকৈ বাকী বিলাক স্থগিত ৰখা হৈছিল। কিন্তু এতিয়া মেৰিত' অনুযায়ী Scholarship দিয়া হৈছে। তাৰ পিচত যদি কোনোবাই দুয়োটাই পায় তেন্তে তেওঁলোকক option দিয়া হব আৰু State ৰ টকাটো Refund দিব লাগে। Scholarship ৰ টকা পোৱাৰ দেৰী হোৱাৰ কাৰণ আছে। কাৰণ Scholarship ৰ সংখ্যা বহুতো।

Statistics about Scholarship :

National Scholarships 763, teacher's children scholarships 22, special scholarships 1500, scholarships to the children of freedom fighters 2232, Sainik school outside the State 11, Goalpara 365, State Merit Junior 250, State Merit Senior 193, State Merit P.G. 160, NEFA Junior and senior 4, Madrassa 4, Music and Fine Arts 7, Home science 4 Rsearch 13, Printing Technology 1, Journalism 1, Library Science 1, National Loan scholarships 550, Scheduled caste Prematric 3026, Scheduled Tribes Prematric 2759, Sanskrit 100, Goldsmiths only free students and Books grants 45, Scholarship to students of Bongaigaon Normal School 10 Scheduled Caste 1642 fresh, renewal 1410 total 3052, Scheduled Tribes Hills 1171 fresh, renewal 2078 total 3849, Scheduled tribes plains 1527 fresh renewal 1542 total 3069 Lower Income group 1920 fresh, renewal 2257 total 4177, other Backward classes fresh 2574, renewal 2559 total 5133,

More O.B.C. fresh 1058 renewal 663 total 1718, Tea and Ex. Tea garden Tribes/Labourer fresh 86, renewal 119 total 204, O.B.C. III (Free studentship) fresh 3526, renewal 1490 total 5024. Total number of scholarships awarded 26,227 Total amount involved Rs. 93.22 lacs.

ইমানবিলাক বৃত্তি দিবলগীয়া হোৱাৰ কাৰণে তাৰ Proper. Scrutiny কৰিব লগা হয়। এই বিলাক কাৰণতে বছৰৰ শেষত বৃত্তি নেপায় গৈ। ফলত Scholarship ৰ যিটো purpose তাৰ তাৎপৰ্য্য নাইকীয়া হৈ যায়। আমাৰ শ্ৰীবৰুৱা ডাঙৰীয়াই অৱশ্যে পৰামৰ্শ আগবঢ়াইছে, Scholarship department ৰ staff বঢ়াই হলেও এই scholarship টো যাতে উপযুক্ত সময়ত পাব পাৰি তাৰ চেষ্টা কৰিম।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : আমাৰ অসম উপত্যকাত শিক্ষাৰ মাধ্যম অসমীয়া হব লগা কথাটোৰে কি অগ্ৰগতি লাভ কৰিছে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : ১৯৭৩ চনৰ পৰা আমাৰ আঞ্চলিক ভাষাৰ মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা হৈছে আৰু শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে আমাক কেন্দ্ৰীয় চৰকাৰে একেকোটি টকা দিছে। এই একেকোটি টকা দিয়াৰ উদ্দেশ্য হৈছে যাতে আঞ্চলিক ভাষাত আমাৰ পাঠ্য পুস্তকবোৰ অনুবাদিত কৰিব পাৰি আৰু ইয়াৰ দায়িত্ব Dibrugarh University আৰু Gauhati University এ লৈছে। এই ক্ষেত্ৰত তেওঁলোকে আশানুৰূপ অগ্ৰসৰ লাভ কৰিছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী : Other back ward community ৰ ল'ৰাই Matric পাচ কৰি কলেজৰ পৰ্য্যায়ত নাম লগালেই টকা পোৱাৰ নিয়ম আছে। কিন্তু বৰ পৰিতাপৰ কথা যে সকলো ল'ৰাই এইটো নেপায়। নোপোৱাৰ কাৰণ কি নাজানো। তেওঁলোকৰ list ত নাম থকা স্বত্বেও কোনোবাই জাল চহী কৰি টকাবোৰ লৈ যায় আৰু তেওঁলোকক বঞ্চিত কৰে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : মাননীয় সদস্যাই এই বিষয়ে অভিযোগ কৰাত কৈ ইয়াৰ পৰা suffer কৰা ল'ৰাৰ পৰাহে এই অভিযোগটো পালে ভাল হয়।

Mr. Chairman

শ্ৰীকেহোৰাম হাজৰিকা : M.E. আৰু H.E. School বিলাক একে পৰ্য্যায়ৰ কৰাৰ কথা আছিল আৰু তাত হিন্দি শিক্ষাৰ বন্দৱস্তি কৰাৰ কথা আছিল। কিন্তু আজিলৈকে তাৰ একো দিহা কৰা নাই।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : কালি প্ৰস্তাৱ আকাৰে দাঙি ধৰা প্ৰশ্নৰ উত্তৰত বাজিক মন্ত্ৰীয়েও কৈছিল যে দুয়ো পৰ্য্যায়ৰ School একেলগ কৰি সকলো বিলাকতে হিন্দি শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীহীৰালাল পাটোৱাৰী : চৰকাৰে Class IV, V, আৰু VI ৰ ল'ৰা-ছোৱালীৰ মাচুলৰ কাৰণে টকা পঠাই যদিও অভিভাৱকসকলে কিন্তু নেপায়।

শ্ৰীভূৱনেশ্বৰ বৰ্মন : আমাৰ বাজেট অধিৱেশন বৰ্তমান চলিয়েই আছে। মুখ্যমন্ত্ৰীয়ে আমাৰ ইয়াত হব বুলি কৈছে আৰু ভাল বুলিও কৈছে। তাৰ পিচত আমাৰ শ্ৰীগোস্বামী ডাঙৰীয়াই এটা অভিযোগ আনিছে যে ১৫ খন

স্কুলত হিন্দি গ্ৰাণ্ট দিছে। কিন্তু ৮/১০ বছৰ হিন্দি শিক্ষক সকলৰ increment টো হঠাৎ বন্ধ কৰি দিলে এখন circular ৰ যোগেদি। এইটো হঠাৎ কিয় হবলৈ পালে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : আপুনি হঠাৎ প্ৰশ্ন কৰিলে মই হঠাৎ উত্তৰ দিও কেনেকৈ ? হিন্দী শিক্ষক সকলক Normal budget ৰ পৰা দিয়া হৈছিল আৰু এতিয়া Plan budget ৰ পৰা দিয়াৰ কথাটো আলোচনা হৈছে। এই বছৰতে দিবলৈ সিদ্ধান্ত লোৱা হৈছে।

Chairman : I put the cut Motions—covering Demand Nos. 24, 25, 44, 45, 47, 72 and 98.

(The Cut Motions were negatived)

Now, I put the grants covering Demand Nos 24, 25, 44, 45, 47, 72, and 98 to the House (*)

(The Demands were all passed)

Calling Attention to a Matter of great public Importance —"Save Nation From Ruin."

Shri Premadhar Bora : Sir, I beg to call attention of the Minister, Health under Rule 54 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Assam Tribune" dated the 7th April, 1971 under the captain "save Nation from Ruin."

Shri Chatrasing Teron, (Minister, Health) :

"D.D.T. (Dichlore—Diphenyl—Trichlore Ehtne) Ganexane (Gama-Isemer of Benzine Hexa Chloride) being pesticides are toxic chemicals. These pesticides are used in India and other countries mainly for the control of insect. Pest, responsible for spread of diseases and destruction of food material. In India D.D.T. is in agriculture and Public Health, mainly Malaria control and also treatment of storage premises of food grains.

Though they are used for these purposes adequate measures also had been prescribed to ensure prevention of hazards by them against human health and safety.

For agricultural purpose D.D.T. is used for treatment of potato seeds, for crops protection before 15 days of harvesting, for preservation of fruits before the fruiting an that crops or fruits do not get contaminated by it. Use of D.D.T is not recommended by the Agricultural Department either for protection of leafy vegetables or for treat-

ment of soil.

For treatment of food storage premises, Rule 65 of the Prevention of Food Adulteration Rules, 1955 (Govt of India) framed under the Government. of India's Prevention Food Adulteration Act, 1954 provides for limited use of D.D.T. and Ganexane. The relevant provision of the Rule is as below :—

| Name of Pesticide. | Purpose to which use is Permitted | Tolerance limit. |
|---|---|---|
| 2. D.D.T. | May be used as spray as far as possible for treatment of storage premises | 3 p.p.m. |
| 3 (Benzene Hexa CHLORIDE) | May be used as spray dust or impregnation on container for treatment of storage premises or surface treatment of bagged grains." | 3 p.p.m. |

Control of pesticides is a subject under the purview of the Government of India. It is learnt that Government of India has been paying their further attention on this matter and a bill called Pesticide Control Bill is being drafted by the Central Government. Such enactment as and when it will come into being will doubly ensure prevention of contamination food grains by these pesticides.

In India, where malaria and other insect borne diseases are widely prevalent—D.D.T. spraying cannot be avoided. D.D.T. being the cheapest and the most effective pesticides, W.H.O. has pescribed this to the developing countries for control of pests and insects.

During the recent session of the WHO, Executive Board Dr. B.T.H. Cunarthe, W.H.O. , Regional Director for South East Asia, drew attention to a resolution adpoted by the W.H.O., Regional Committee, which met in Kathmandu, Nepal in October, 1969 requesting countries producing D.D.T. to continue to do so for the benefit of public health programme until such time as a less toxie and equally economical pesticides can be made available in its place.

During the discussion the Executive Board was told by Mr. James W. Wright, W.H.O. Chief of Vector Biology and

Control, that a "major disaster" would result from any action limiting the use of D.D.T. for control of Malaria in developing countries."

As regards hazards from D.D.T., Mr. wright, of the W.H.O. stressed that safty record of D.D.T. to man has been responsible for saving millions of lives throughout the world. A W.H.O. report says that no toxic effect has been reported in the past 29 years among 20 lakhs spray men employed in Malaria campaigns nor among the 6 hundred million to one thousand million people living in repeatedly sprayed houses. Extensive monitoring has also been carried out in united States of America for past 19 years, on workers in D.D.T. plants. No advarse effects have been recorded. The only known cases of D.D.T. poisioning were in people who had accidently eaten the inesecticides but none of them died. (National Malaria eradication news Vol. 1o July-Sept 1970 at page 23.)

But there is another view on the issue. It is said that though there is na direct evidence to show that trace amounts of D.D.T are harmful to human health, there is strong evidence that contained acummulation of D.D.T. in human tissues in large quantities is a definite health hazard D.D.T. along with some other pesticides was found to induce a significantly elevoted incidence of tumour. (Journal of National Cancer Institute 1969 quoted from Science reported Vol. 7, 1970).

In life Magazine Vol. 43, No. 3 February, 1970, it has been remarked that 'Residual D.D.T. collecting in human liver will make the use of certain common drugs dangerous and liver cancer.'

Thus the entire issue regarding use of DDT and its harmful effects on human health is still controversial and meanwhile Government are also taking adequate measures to protect the people from undue exposure to D.D.T.

statement by the Chief Minister on the memorundum for the an Amen Aided High School teacher's Association.

Shri Mahendra Mohan Choudhury, (Chief Minister) : Yesterday a delegation of the Assam Aided High School Teachers' Association headed by the president of the Asso-

ciation met me in my chamber, where hon. member Shri Dulal Chandra Barua was present, and we have arrived at the following decisions.

1. Payment of Ad-hoc D.A. of Rs. 10 p.m. for the period from 1.12.64 to 31.12.66.

The 1st quartely instalment of ad-hoc D.A. should be paid to the teachers on or before 7.6.71. Thereafter, the balance should be paid in three quarterly instalments. The arrears of D.A. due to the retired and deceased teachers should be paid in full in one instalmeet on or before 7.6.71.

2. Das Commission D.A. for 12 months from 1.4.67 to 31.3.68—

(i) Das Commission D.A. due to retired and deceased teachers should be paid in full in one instalment on or before 7.6.71.

(ii) Payment of Das Commission D.A. for the period from 1.4.67 to 31.8.67 to the serving teachers should be deferred till 31.3.72.

(iii) Payment of Das Commission D.A. for 7 months for the period from 1.9.67 to 31.3.68 should be paid to the serving teachers in 2 equal instalments. The first instalment should be paid by 30.6.71 and the second instalment before 31.10.71.

3. When a deficit School is derecognised by the Board of secondary Education, the grant is pegged to the level imediately before the derecognition. When the school gets recognignition again, then only the teachers and staff are allowed to draw increment. Chief Minister agreed that the period service rendred by the teachers and staff during the period of derecognition should count for increment without the benefit of arrears on that count.

4. Education Department should examine the question of payment of Das Commission D.A. to the deficit schools which were derecognised period to 1.4.67.

5 Education Department should expedite a decision on the payment of Shillong Compensatory Allowance to the teachers of Aided Schools of Shillong Cantonment and Minieipal Areas.

6. Education Department should examine if teachers of deficit schools having put in 5 years of service can get the benefit of Provident Fund even if they are not confirmed in their post.

These are the arrangements.

Shri Dulal Chandra Barua : There was another point. It was about the Fourth Grade staff.

Shri Mahendra Mohan Choudhury (Chief Minister) : There is some recommendation in the Goswami Commission Report also about Fourth Grade Staff and we are examining the matter separetly.

Shri Dulal Chandra Barua : What about the Compensatory allowance for Dhemaji.

Shri Mahendra Mohan Choudhury (Chief Minister) : That was not pressed.

Shri Dulal Chandra Barua : That was also pressd.

Shri Mahendra Mohan Choudhury (Chief Minister) : We shall examine it.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : সভাপতি মহোদয়, মুখ্যমন্ত্ৰীয়ে যিটো বিবৃতি দিলে তাৰ এটা কপি কালিলৈ সদস্য সকলে পালে ভাল হয়।

## Adjournment

The Assembly then adjourned till 10 AM. on Thursday, the 6th May 1971.

U. Tahbildar
Secretary
Legislative Assembly
Assam.

Shillong